শুৱালকুছিয়ে পালে বিশেষ সন্মান
ই-সংবাদ, শুৱালকুছি, ১৯ ছেপ্টেম্বৰঃ প্ৰাচ্যৰ মানেচেষ্টাৰ হিচাপে খ্যাত বস্ত্ৰনগৰী শুৱালকুছিক ৫ পৃষ্ঠাত চাওক

www.newsnextone.com
e সংবাদ
Sacn to Donate
NEWSNEXTONE.COM

FRIDAY, SEPTEMBER 20, 2024 ■ শুকুৰবাৰ।। ৩ আহিন, ১৯৪৬ শকাব্দ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ২৫৮ Guwahati, Assam ।। মূল্যঃ এটকা

## ২.৫১ লাখ কোটিলৈ বৃদ্ধি বাণিজ্য ঘাটি ■ বাঢ়িছে আমদানিৰ পৰিমাণ

# ৰপ্তানি নাই! মন্দা ব্যৱসায়

**নতুন দিল্লী, ১৯ ছেপ্টেম্বৰঃ** ভাৰতৰ ৰপ্তানি বাণিজ্য পুনৰ মোক্ষম আঘাতৰ সন্মুখীন হোৱা দেখা গৈছে। শেহতীয়াকৈ কেন্দ্ৰীয় চৰকাৰে প্ৰদান কৰা ৰপ্তানি বাণিজ্যৰ পৰিসংখ্যাক লৈ ভ্ৰূকুটি কোচাইছে দেশৰ বাণিজ্য বিশেষজ্ঞসকলে। চৰকাৰে প্ৰকাশ কৰা তথ্য অনুসৰি বিগত ৯ মাহৰ ভিতৰত বাণিজ্যিক ঘাটি সৰ্বোচ্চ স্তৰত উপনীত হৈছে। বাণিজ্য আৰু উদ্যোগ মন্ত্ৰালয়ে ১৭



ছেপ্টেম্বৰ অৰ্থাৎ মঙলবাৰে প্ৰকাশ কৰে আমদানি আৰু ৰপ্তানিৰ পৰিসংখ্যা। এই পৰিসংখ্যাত কোৱা হৈছে যে চলিত বৰ্ষৰ আগষ্ট মাহত ভাৰতৰ ৰপ্তানি বাণিজ্য ৯ শতাংশ হ্ৰাস পাইছে। শেষাংশ ২ পৃষ্ঠাত



খেল দেখুৱাইছে ৰিয়ানে

## অৰুণোদয় ৩.০ আৰম্ভ

**ই-সংবাদ, ১৯ ছেপ্টেম্বৰঃ** মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি অৰুণোদয় ৩.০ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। দিছপুৰস্থিত লোকসেৱা ভৱনত বুটাম টিপি হিতাধিকাৰীসকলৰ বেংক একাউণ্টত টকা ভৰাই দিয়া কাৰ্যৰ শুভাৰম্ভ কৰে। অৰুণোদয় ৩.০ লগতে খাদ্য সুৰক্ষা আইনৰ অধীনত প্ৰায় ২০ লাখ লোকক ৰেচন কাৰ্ডৰ হিতাধিকাৰী সংযোজনৰ লক্ষ্যৰে শেষাংশ ৪ পৃষ্ঠাত

## লেবাননত এইবাৰ ফুটিল ৱাকি-টকী

**বেইৰুট, ১৯ ছেপ্টেম্বৰঃ** বিভীষিকা নামিছে লেবাননত। শেহতীয়াকৈ লেবাননত হাজাৰ হাজাৰ পেজাৰ বিস্ফোৰণৰ আঁৰৰ শেষাংশ ৫ পৃষ্ঠাত

১১ পৃষ্ঠাত
### ইডিৰ অভিযান, উদ্ধাৰ সোণ-হীৰাৰ বিশাল ভাণ্ডাৰ

৮ পৃষ্ঠাত
### লোমহৰ্ষক কাণ্ড! সুৰামত্ত পুত্ৰক হত্যা কৰিলে পিতৃয়ে



স্মাৰ্ট মিটাৰৰ বিৰুদ্ধে অভিনৱ প্ৰতিবাদ, শৰাইত স্মাৰ্ট মিটাৰ আনি ৰাইজে গতালে এপিডিচিএলক

### আগবঢ়ালে শৰাই, গতালে স্মাৰ্ট মিটাৰ

■ সবিশেষ ৪ পৃষ্ঠাত

### ৩ দিন বৰফত আৱদ্ধ জোৱানক জীৱন্তে উদ্ধাৰ

■ সবিশেষ বাতৰি শেষ পৃষ্ঠাত পাব

### বৰ্ণালী-লুইত সংঘাত! এইবাৰ আহিল নটিচ

সবিশেষ ৩ পৃষ্ঠাত

## স্মাৰ্ট মিটাৰৰ বিৰুদ্ধে প্ৰতিবাদ, আজি বিজুলী ভৱন ঘেৰাও কৰিব বিৰোধীয়ে

**ই-সংবাদ, ১৯ ছেপ্টেম্বৰঃ** স্মাৰ্ট মিটাৰৰ বিৰুদ্ধে সমূহীয়া প্ৰতিবাদ সাব্যস্ত কৰাৰ কথা ঘোষণা কৰিছে কংগ্ৰেছ নেতৃত্বাধীন বিৰোধী ঐক্য মঞ্চ অসমে। কাইলৈ অৰ্থাৎ ২০ ছেপ্টেম্বৰৰ দিনৰ ১১ বজাত বিৰোধী ঐক্য মঞ্চই পল্টনবজাৰস্থিত শেষাংশ ৫ পৃষ্ঠাত

## অ'এনজিচিৰ ড্ৰিলিং ৰীগ বিদেশী কোম্পানীক গতোৱাৰ বিৰোধিতা

### চৰকাৰৰ বিৰুদ্ধে গৰজি উঠিছে আহোম সেনা




**ই-সংবাদ, শিৱসাগৰ, ১৯ ছেপ্টেম্বৰঃ** অ'এনজিচিৰ অসম সম্পদক বাৰ্ষিক বৃহৎ পৰিমাণৰ পৰিকল্পিত ক্ষতিৰ ষড়যন্ত্ৰৰে নিগমৰ সকলো কাৰ্যালয় শিৱসাগৰৰ পৰা স্থানান্তৰিত কৰাৰ উদেশ্যেৰে নিগমৰ এটা সক্ৰিয় ড্ৰিলিং ৰীগ আৰু ৰেল টেষ্টিঙৰ ঠিকা দুটা পুঁজিপতি গোষ্ঠীক গতাই দিয়া হঠকাৰী কাৰ্যৰ শেষাংশ ৬ পৃষ্ঠাত

## ৫২টা হ'লে নহ'ব, ৫৭টাই হ'ব লাগিব!

**ই-সংবাদ, ১৯ ছেপ্টেম্বৰঃ** ২০২৬ৰ বিধানসভা নিৰ্বাচনৰ দিন চমু অহাৰ সময়তে শাসকীয় বিজেপি দলৰ চৰকাৰখনৰ অসম চুক্তিৰ ছয় নং দফালৈ মনত পৰিছে। বিগত চাৰিটা বছৰে পেলাই থোৱা অসম চুক্তিৰ শেষাংশ ৫ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰপ্তানি নাই! মন্দা ব্যৱসায়

পাইছে। আনহাতে আমদানিৰ পৰিমাণ তিনি শতাংশ বৃদ্ধি পাইছে এই সময়ছোৱাত। বিশেষজ্ঞসকলে দাবী কৰিছে যে ইউৰোপ আৰু আমেৰিকাত ভাৰতীয় সামগ্ৰীৰ চাহিদা হ্ৰাস পোৱাটোৱেই ৰপ্তানি বাণিজ্যত লোকচানৰ অন্যতম কাৰণ। এয়া এক গুৰুতৰ চিন্তাৰ বিষয় বুলিও দাবী কৰে বিশেষজ্ঞসকলে। ইফালে কেন্দ্ৰীয় চৰকাৰে কয় যে আগষ্ট মাহত আমদানি আৰু ৰপ্তানিৰ মাজত ব্যৱধান প্ৰায় ২.৫১ লাখ কোটি টকা হয়। চৰকাৰৰ তথ্য অনুসৰি চলিত বৰ্ষৰ আগষ্ট মাহত ২.৯ লাখ কোটি টকাৰ সামগ্ৰী ৰপ্তানি কৰা হৈছিল। যোৱা বছৰ (২০২৩) যিটো আছিল ৩.২ লাখ কোটি টকা। একেদৰে ২০২৩ চনৰ আগষ্ট মাহৰ পৰিপ্ৰেক্ষিতত এইবাৰ আমদানিৰ পৰিমাণো বৃদ্ধি পাইছে। কেন্দ্ৰৰ তথ্য অনুসৰি চলিত বৰ্ষৰ আগষ্ট মাহত ৫.৩৮ লাখ কোটি টকাৰ সামগ্ৰী আমদানি কৰা হৈছিল। ২০২৩ চনৰ আগষ্ট মাহত যিটো আছিল ৫.২১ লাখ কোটি টকা। বাণিজ্য আৰু উদ্যোগ মন্ত্ৰালয়ে কয় যে আগন্তুক দিনত যোৱা ১০ মাহৰ ঘাটি হ্ৰাস কৰাৰ বাবে প্ৰচেষ্টা চলোৱা হৈছে। এই পৰিস্থিতিত বিশ্ব বাণিজ্য সংস্থাই কোনো আশা প্ৰকাশ কৰা নাই। তেওঁলোকে দাবী কৰে যে ২০২৪ চনৰ শেষৰ ফালে বিশ্ব বাণিজ্যৰ উন্নতি হ'ব। তেনে ক্ষেত্ৰত বেছিভাগ দেশৰ বিত্তীয় নীতিত ডাঙৰ পৰিৱৰ্তন হ'ব পাৰে। কিন্তু সেই ক্ষেত্ৰত ৰপ্তানিৰ ক্ষেত্ৰত অনিশ্চয়তাৰ সৃষ্টি হোৱাৰ আশংকাও দেখা গৈছে। বাণিজ্য সচিব সুনীল বৰথৱালে ইতিমধ্যে স্পষ্ট কৰি দিছে যে ৰপ্তানি ব্যৱসায়ত কিমান পৰিমাণে আঘাত পাইছে। তেওঁৰ মতে, চীনৰ অৰ্থনৈতিক মন্দাৱস্থাৰ ফলত ভাৰতৰ পেট্ৰলিয়ামৰ ব্যৱসায় প্ৰভাৱিত হৈছে। কিন্তু ইয়াৰ ফলত পেট্ৰলিয়াম আমদানিৰ ক্ষেত্ৰত পুনৰ লাভৱান হৈছে। মন কৰিবলগীয়া যে, ২০২২ চনত ৰাছিয়া-ইউক্ৰেইন যুদ্ধ আৰম্ভ হোৱাৰ পিছত ভাৰতে মস্কোৰ পৰা কম মূল্যত খাৰুৱা তেল আমদানি কৰি আহিছে। তেল কোম্পানীসমূহে ইউৰোপৰ লগতে বিশ্বৰ অন্যান্য দেশত তেল শোধন কৰি বিক্ৰী কৰিছিল। কেন্দ্ৰীয় বাণিজ্য সচিব সুনীল বৰথৱালে কয় যে ৰাছিয়াৰ ওপৰত আৰ্থিক নিষেধাজ্ঞা আৰোপ কৰাৰ পিছতো এই বাণিজ্যত বিশেষ প্ৰভাৱ পৰা নাই। কিন্তু ৰাছিয়াৰ ওপৰত আৰ্থিক নিষেধাজ্ঞাৰ বাবে হীৰা ৰপ্তানিৰ ক্ষেত্ৰত ইয়াৰ প্ৰভাৱ পৰিছে। তেওঁ কয়, "ৰপ্তানি বৃদ্ধিৰ বাবে আমি আৰু ইউৰোপীয় বজাৰৰ ওপৰত নিৰ্ভৰশীল নহয়। আফ্ৰিকান দেশসমূহত ভাৰতীয় সামগ্ৰী কেনেকৈ অধিক বিক্ৰী কৰিব পাৰি তাৰ ওপৰত দৃষ্টি ৰখা হৈছে।" আনহাতে, উৎসৱৰ বতৰৰ পূৰ্বে আগষ্ট মাহত সোণ আৰু ৰূপৰ আমদানি ব্যাপকভাৱে বৃদ্ধি পাইছে। এইবাৰৰ বাজেটত কেন্দ্ৰীয় চৰকাৰে হালধীয়া ধাতুৰ আমদানি শুল্ক হ্ৰাস কৰে। যিটো আমদানিৰ এই বৃদ্ধিৰ মূল কাৰণ বুলি ধাৰণা কৰা হৈছে। ৰপ্তানি হ্ৰাস পোৱা সন্দৰ্ভত মোদী চৰকাৰে যুক্তি দি কয় যে ইউৰোপৰ বেছিভাগ উন্নত দেশেই বিত্তীয় সংকটৰ সন্মুখীন হৈছে। আৰু সেইবাবেই মন্দাৱস্থাৰ প্ৰভাৱ নপৰা দেশক বাছনি কৰা হৈছে। কেন্দ্ৰীয় বাণিজ্য সচিবগৰাকীয়ে কয় যে চৰকাৰৰ লক্ষ্য তাত ভাৰতীয় সামগ্ৰীৰ প্ৰসাৰ কৰা। মন কৰিবলগীয়া যে বাণিজ্য বৃদ্ধিৰ ক্ষেত্ৰত ভাৰতীয় কোম্পানীসমূহৰ অধিকাংশই দীৰ্ঘদিন ধৰি কণ্টেইনাৰৰ সমস্যাত ভুগি আহিছে। ইয়াক দূৰ কৰিবলৈ বাণিজ্য মন্ত্ৰালয়ে জাহাজ মন্ত্ৰালয়ৰ সৈতে আলোচনা আৰম্ভ কৰিছে। বিশেষজ্ঞসকলৰ মতে অহা বছৰৰ প্ৰথম তিনি মাহৰ ভিতৰত এই সমস্যাসমূহৰ অধিকাংশই সমাধান হ'ব। শেহতীয়া তথ্য অনুসৰি ইউৰোপৰ বাণিজ্যৰ ক্ষেত্ৰত যোৱা কেইমাহমানত ভাল ফলাফল হোৱা নাই বুলি বিশ্ব ব্যৱসায় সংস্থাই প্ৰকাশ কৰিছে। সেই ক্ষেত্ৰত আফ্ৰিকা আৰু দক্ষিণ আমেৰিকাৰ দেশসমূহে আমদানিৰ পৰিমাণ বৃদ্ধি কৰিছে। আনহাতে, চলিত বৰ্ষৰ মে' মাহৰ পৰা আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধিয়ে বিশ্বৰ বিত্তীয় সংকটৰ ওপৰত তীক্ষ্ণ দৃষ্টি ৰাখিছে। সংস্থাটোৰ মতে ইউৰোপৰ কেইবাখনো দেশত মুদ্ৰাস্ফীতিৰ হাৰ অতি উচ্চ। যাৰ বিষয়ে আই এম এফে সংশ্লিষ্ট দেশসমূহক সকীয়াই দিছে। বিশ্ব ব্যৱসায় সংস্থাৰ সামগ্ৰী বাণিজ্য বেৰ'মিটাৰৰ মতে, ব্যৱসায়িক সামগ্ৰীৰ ব্যৱসায়ৰ পৰিমাণৰ ট্ৰেজেক্টৰীৰ প্ৰাৰম্ভিক সূচক ১০৩। ত্ৰিমাসিক ব্যৱসায়ৰ পৰিমাণ আৰু ভিত্তি ৰেখাৰ সূচক ১০০ৰ ওপৰত। বিশ্ব ব্যৱসায় সংস্থাই এক বিবৃতিত কয় যে এই পৰিসংখ্যাৰ পৰা অনুমান কৰিব পাৰি যে ২০২৪ চনৰ তৃতীয় ত্ৰৈমাসিকত সামগ্ৰীৰ বাণিজ্যৰ পৰিমাণ বৃদ্ধি পাবলৈ আৰম্ভ কৰিছে। উন্নত দেশসমূহে নিজৰ বিত্তীয় নীতি সলনি কৰাটো প্ৰয়োজন। অন্যথা আমদানি আৰু ৰপ্তানি বাণিজ্যই ডাঙৰ সংকটৰ সন্মুখীন হ'ব পাৰে। বিশ্ব ব্যৱসায় সংস্থাই প্ৰদান কৰা শেহতীয়া পৰিসংখ্যা অনুসৰি ২০২৪ চনৰ প্ৰথম ত্ৰিমাসিকত বিশ্ব বাণিজ্য ১ শতাংশ বৃদ্ধি পাইছে। যোৱা বছৰৰ এই সময়ৰ তুলনাত ১.৪ শতাংশ বৃদ্ধি পাইছে। চলিত বৰ্ষৰ একেটা ত্ৰিমাসিকৰ গ্ৰাফত যোৱা বছৰৰ একেটা ত্ৰিমাসিকৰ তুলনাত ০.৭ শতাংশ বৃদ্ধি পোৱা গৈছে। প্ৰসংগক্ৰমে, ক্ষমতালৈ অহাৰ পিছৰে পৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বাৰে বাৰে বিশ্বৰ যোগান শৃংখলত স্থান লাভৰ ওপৰত গুৰুত্ব আৰোপ কৰি আহিছে। কিন্তু আগষ্ট মাহত ৰপ্তানিৰ ব্যৱসায় হ্ৰাস পোৱাৰ পিছতে নৰেন্দ্ৰ মোদী আৰু তেওঁৰ নেতৃত্বাধীন চৰকাৰৰ বিৰুদ্ধে সৰৱ হৈ পৰিছে বিৰোধী দলসমূহ। ইফালে, দুৰ্গা পূজাকে ধৰি উছৱৰ বতৰত ৰপ্তানি বাণিজ্য হ্ৰাস পোৱাত আৰু আমদানি বৃদ্ধি পোৱাত একাধিক সামগ্ৰীৰ দাম বৃদ্ধিৰো আশংকাই দেখা দিছে।

# মৰিগাঁও আৰক্ষীৰ জালত দহটাকৈ কুখ্যাত চাইবাৰ অপৰাধী, ছিম-মোবাইল জব্দ

**ই-সংবাদ, মৰিগাঁও, ১৯ ছেপ্টেম্বৰঃ** মৰিগাঁও আৰক্ষীয়ে আজি জিলাখনৰ মৈৰাবাৰী আৰু লাহৰীঘাট অঞ্চলৰ পৰা দহজনকৈ কুখ্যাত চাইবাৰ অপৰাধীক আটক কৰে। মৰিগাঁও জিলা আৰক্ষীৰ অপৰাধ শাখাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক সমীৰণ বৈশ্যৰ নেতৃত্বত বুধবাৰে বিয়লিৰ পৰা আজি পুৱাৰ ভাগলৈকে চলোৱা তীব্ৰ মাৰাথান অভিযানত চাইবাৰ অপৰাধীৰ এই কুখ্যাত গেঙটো আৰক্ষীৰ জালত পৰে। আৰক্ষীয়ে আটক কৰা এই কুখ্যাত চাইবাৰ অপৰাধী কেইটা ক্ৰমে মৈৰাবাৰীৰ আৰক্ষী থনা এলেকাৰ জাহুৰ আলী, ফিৰদুছ আলী, ওৱাকিবুৰ ৰহমান, হুছেইন জাহাংগীৰ আলী আৰু বাবুল ইছলাম। আনহাতে লাহৰীঘাট আৰক্ষী থানা এলেকিৰ পৰা আটক কৰিছে ক্ৰমে ৰফিকুল ইছলাম, ৰুকুনউদ্দিন, আব্দুল কাছেম আৰু জিকাৰুল ইছলাম। ইফালে এহিয়া আহমেদ





নামৰ এটা চাইবাৰ অপৰাধী স্বাস্থ্য জনীত কাৰণত নগাঁও চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন হৈ আছে। এইজন এহিয়া আহমেদক ইয়াৰ পূৰ্বে মুম্বাই আৰক্ষীয়ে চাইবাৰ অপৰাধত গ্ৰেপ্তাৰ কৰিছিল। উল্লেখ্য যে চাইবাৰ অপৰাধীৰ বিৰুদ্ধে আৰক্ষী অভিযানৰ সম্ভেদ পাই বহুকেইটা অপৰাধী পলাই পত্ৰং দিয়ে যদিও আৰক্ষী অভিমান অব্যাহত আছে বুলি জানিব পৰা গৈছে। আৰক্ষীয়ে এই অভিযান কালত চাইবাৰ অপৰাধী কেইটাৰ পৰা পেন কাৰ্ড ২৪ খন, মোবাইল ফোনৰ ছীম পাৰ্ড ৮০ খন, এণ্ড্ৰইড মোৱাইল ফোন ১১ টা, ফিংগাৰ প্ৰিণ্ট মেচিন ১টা, সাধাৰণ মোবাইল ফোন ১৮ টা, বেংকৰ ডেবিত কাৰ্ড ১৬ খন, নগদ ধন ৪০ হাজাৰ টকা আৰু এখন বিলাসী আৰ্টিকা বাহন জব্দ কৰিবলৈ সক্ষম হয়। প্ৰণিধানযোগ্য যে মৰিগাঁৱৰ অতিৰিক্ত আৰক্ষী অধীক্ষক সমীৰণ বৈশ্যৰ নেতৃত্বত জিলাখনত এবছৰৰ ভিতৰত দুই শতাধিক চাইবাৰ অপৰাধী গ্ৰেপ্তাৰ কৰি জেললৈ প্ৰেৰণ কৰিছে।



লেবাননত পেজাৰ বিস্ফোৰণত নিহত এটি শিশুৰ ফটো লৈ এনেদৰে প্ৰতিবাদ নাগৰিকৰ

# কমতাপুৰ স্বায়ত্বশাসিত পৰিষদৰ প্ৰধান সচিব নিযুক্তি

**ই-সংবাদ, কোকৰাঝাৰ, ১৯ ছেপ্টেম্বৰঃ** সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ উপ সচিব দিপন বৰ্মনক আজি অসম চৰকাৰে কমতাপুৰ স্বায়ত্বশাসিত পৰিষদৰ ভাৰপ্ৰাপ্ত প্ৰধান সচিব হিচাপে নিযুক্তি দিছে। আজি অসম চৰকাৰৰ পাৰ্ছনেল বিভাগ(প্ৰশাসনিক)ৰ সচিবে জাৰি কৰা এক নিৰ্দেশনামৰ্মে সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ উপ সচিব দীপন বৰ্মনক বঙাইগাঁৱৰ অতিৰিক্ত জিলা আয়ুক্ত হিচাপে বদলি কৰাৰ লগতে কমতাপুৰ স্বায়ত্বশাসিত পৰিষদৰ ভাৰপ্ৰাপ্ত প্ৰধান সচিব হিচাপে অতিৰিক্ত দায়িত্বভাৰ অৰ্পন কৰে। উল্লেখ্য যে কমতাপুৰ স্বায়ত্বশাসিত পৰিষদৰ প্ৰধান সচিবৰ পদটো দীৰ্ঘদিনে খালি হৈ আছিল আৰু অসম চৰকাৰৰ কৰ্মশ্ৰী বঁটাৰে বিভূষিত দিপন বৰ্মনক কমতাপুৰ স্বায়ত্বশাসিত পৰিষদৰ ভাৰপ্ৰাপ্ত প্ৰধান সচিব হিচাপে নিযুক্তি দিয়াত স্বায়ত্বশাসিত পৰিষদখনে গতি লব বুলি আশা প্ৰকাশ কৰা হৈছে। উল্লেখ্য যে দিপন বৰ্মনে ইয়াৰ পূৰ্বে কোকৰাঝাৰ, বঙাইগাঁৱৰ চক্ৰ বিষয়া, বিশ্বনাথ, গহপুৰ আৰু ৰঙিয়াৰ মহকুমাধিপতি হিচাপে কাৰ্যনিৰ্বাহ কৰি সুনাম বুটলিছিল।

## ছ'চিয়েল মিডিয়া ইনফ্লুৱেঞ্চাৰ লুইত বৰ্মনেও ধৰিছে ওভতি

# লুইত বৰ্মনৰ বিৰুদ্ধে মহিলা আয়োগৰ কাষ চাপিল ডিচি বৰ্ণালী

**ই-সংবাদ, ১৯ ছেপ্টেম্বৰঃ** এগৰাকী জিলা আয়ুক্তই ৰাজহুৱা সমাজকৰ্মী তথা ব্যৱসায়ীৰ বিৰুদ্ধে ৰাজ্যিক মহিলা আয়োগত গোচৰ ৰুজু কৰাৰ ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। গুৱাহাটীৰ ব্যৱসায়ী তথা ছ'চিয়েল মিডিয়া ইনফ্লুৱেঞ্চাৰ লুইত কুমাৰ বৰ্মনৰ বিৰুদ্ধে গোচৰ তৰিছে নলবাৰীৰ জিলা আয়ুক্ত বৰ্ণালী ডেকাই। ইতিমধ্যে বহু বিতৰ্কত সোমাই চৰ্চিত হৈ পৰা নলবাৰীৰ জিলা আয়ুক্ত বৰ্ণালী ডেকাই অসম মহিলা আয়োগৰ কাষ চপাত লুইত কুমাৰ বৰ্মনক শুনানিত উপস্থিত থাকিবলৈ তলব কৰিছে। অহা ২৫ ছেপ্টেম্বৰত ৰাজ্যিক মহিলা আয়োগৰ আইনী উপদেষ্টা সমিতিৰ ওচৰত হাজিৰ হ'ব লাগিব লুইত কুমাৰ বৰ্মন। এই বিষয়ত তীব্ৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে ছ'চিয়েল মিডিয়া ইনফ্লুৱেঞ্চাৰ লুইত কুমাৰ বৰ্মনে। বৰ্মনে কয় ‘‘আদালতত বিচাৰাধীন বিষয় এটাৰ গোচৰ মহিলা আয়োগে ল'লে কেনেকৈ? এবাৰ হাৰি লাজ নাপালে। এইবাৰ আকৌ লাগিবলৈ আহিছে। মই এইবাৰ কঠোৰ হ'ম, মই শপত খাইছো।’’ ২০২৪ চনৰ মে' মাহত অৰ্থাৎ লোকসভা




নিৰ্বাচনৰ সময়ত নলবাৰীৰ জিলা আয়ুক্ত বৰ্ণালী ডেকাই গুৰুতৰ অভিযোগ উত্থাপন কৰিছিল। জিলা আয়ুক্ত বৰ্ণালী ডেকাই ধন দাবীৰ অভিযোগত নলবাৰী থানাত এজাহাৰ দাখিল কৰিছিল। লুইত কুমাৰ বৰ্মনৰ বিৰুদ্ধে আনিছিল এই অভিযোগ। নাম নোলোৱাকৈ বৰ্ণালী ডেকাৰ বিৰুদ্ধে লুইত কুমাৰ বৰ্মনে ছ'চিয়েল মিডিয়াত ভিন্ন কেলেংকাৰীৰ অভিযোগ উত্থাপন কৰি পোষ্ট দি আহিছিল। লোকসভা নিৰ্বাচনৰ দিনটোত গৰ্ডন স্কুলস্থিত ষ্ট্ৰং ৰুমত জিলা আয়ুক্তক লুইত কুমাৰ বৰ্মনৰ মানুহ বুলি পৰিচয় দিয়া এজন লোকে ১০ লক্ষ টকা দাবী কৰা বুলি অভিযোগ আনিছিল বৰ্ণালী ডেকাই। বৰ্ণালী ডেকাই নলবাৰী সদৰ আৰক্ষী থানাত এজাহাৰ দাখিল কৰাত সদৰ আৰক্ষী থানাত হাজিৰ হৈছিল লুইত কুমাৰ বৰ্মন। আৰক্ষীয়ে বৰ্মনক প্ৰায় ৩ ঘণ্টা সোধ-পোছ কৰিছিল। জিলা আয়ুক্তৰ অভিযোগক ভিত্তিহীন আখ্যা দি ষ্ট্ৰং ৰুমত নিৰাপত্তা থকাৰ সময়ত বাহিৰৰ লোকে প্ৰৱেশ কেনেকৈ কৰিলে বুলিহে প্ৰশ্ন কৰিছিল বৰ্মনে। ধন দাবী কৰা লোকজনক গ্ৰেপ্তাৰ কিয় কৰা নহ'ল তাকে লৈ তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছিল। লুইত কুমাৰ বৰ্মনৰ নামত ধন দাবী কৰা লোকজনক আজিলৈ চিনাক্ত কৰিব পৰা নাই বুলি জানিব পৰা গৈছে। জিলা আয়ুক্তৰ বিৰুদ্ধে উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হোৱাৰো হুংকাৰ দিছিল বৰ্মনে। তাৰ মাজতে একেটা গোচৰতে বৰ্ণালী ডেকাই লুইতৰ বিৰুদ্ধে ৰাজ্যিক মহিলা আয়োগৰ কাষ চপা বুলি জানিব পৰা গৈছে। ইপিনে শেহতীয়াকৈ লুইতে ৰাজ্যিক নিৰ্বাচনী বিভাগৰ মুখ্য বিষয়া অনুৰাগ গোৱেলৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ আনিছে। এগৰাকী থলুৱা যুৱতীক শাৰীৰিক শোষণ কৰাই নহয় চাকৰিৰ পৰা বৰ্খাস্ত কৰাৰ অভিযোগ উত্থাপন কৰিছে বৰ্মনে। জ্যেষ্ঠ আমোলাৰ অভিসাৰক লৈ লুইত বৰ্মনে কৰা অভিযোগক লৈয়ো জোকাৰণি উঠিছে দিছপুৰত।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অৰুণোদয় ৩.০ আৰম্ভ

সমগ্ৰ অসমত এই আঁচনিৰ অনুষ্ঠানিকভাৱে শুভাৰম্ভণি কৰে মুখ্যমন্ত্ৰীয়ে। মুখ্যমন্ত্ৰীৰ এই কাৰ্যসূচী ভাৰ্চুৱেলী ৰাজ্যৰ আন আন প্ৰান্তত প্ৰদৰ্শীত কৰা হয়৷ মুখ্যমন্ত্ৰীয়ে অৰুণোদয় ৩.০ৰ আনুষ্ঠানিক শুভৰাম্ভ কৰাৰ পাছতে ৰাজ্যৰ ৩৭ লাখ পৰিয়ালে ১,২৫০ টকাকৈ একাউণ্টত লাভ কৰিব৷ এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ নাৰীশক্তি সবলীকৰণৰ দিশত এক বৃহৎ পদক্ষেপ। অতিৰিক্ত হিতাধিকাৰীসকলক অন্তৰ্ভুক্ত কৰিবলৈ তথা ৰাজ্যত ৩৭ লাখ পৰিয়ালে মাহিলি ১,২৫০ টকা প্ৰাপ্ত কৰাটো নিশ্চিত কৰিবলৈ ১২৬টা বিধানসভা সমষ্টিৰ আই, মাতৃ আৰু ভগ্নীসকলৰ সৈতে আজি অৰুণোদয় ৩.০ৰ যাত্ৰা আৰম্ভ কৰিছো। অৰুণোদয় ৩.০ত নিঃকিন মহিলা, দিব্যাংগ, বিধৱা, তৃতীয় লিংগ আৰু অন্যান্য দুৰ্বল লোকসকলক বিত্তীয় সুৰক্ষা প্ৰদানত অগ্ৰাধিকাৰ দিয়া হ'ব। ২ লাখ টকাৰ তলৰ বাৰ্ষিক উপাৰ্জন থকা পৰিয়ালবোৰ আবেদন কৰিবলৈ যোগ্য হিচাপে বিবেচিত হ'ব। এই আঁচনিৰ বাবে চৰকাৰে মাহিলি ৪৬৭ কোটি টকা ব্যয় কৰিব। ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ লাভালাভ সম্প্ৰসাৰিত কৰা আঁচনিৰ অধীনত ১২ লাখ হিতাধিকাৰীৰ সংযোজন কৰা হৈছে৷ প্ৰতি মাহে বিনামূলীয়া খাদ্য সামগ্ৰী লাভ কৰিবলৈ যোগ্য হ'ব। এই আঁচনিৰ বাবে মাহেকত ৪৪০ কোটি টকা ব্যয় কৰা হ'ব। মুখ্যমন্ত্ৰী ডঃ শৰ্মাই লগতে কয় যে ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ কাৰ্ডসমূহত আয়ুষ্মান ভাৰতৰ অধীনত বিনামূলীয়া চিকিৎসা সেৱা অন্তৰ্ভুক্ত কৰা হৈছে। জনসাধাৰণৰ পুষ্টি, বিত্তীয়, চিকিৎসা আৰু আনুষংগিক প্ৰয়োজনীয়তা সামৰি লোৱা কল্যাণমূলক পদক্ষেপে সামাজিক সুৰক্ষাৰ সৃষ্টি কৰিব। উল্লেখ্য যে, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যখনত দৰিদ্ৰতা দূৰীকৰণ কাৰ্যসূচীৰ লক্ষ্যৰে অৰুণোদয় আঁচনি ৩.০ আৰম্ভ কৰিছিল৷ এই আঁচনিৰ অধীনত প্ৰতিগৰাকী যোগ্য মহিলাই প্ৰতিমাহৰ ১০ তাৰিখে বেংক একাউণ্টত পোনপটীয়াকৈ ১,২৫০ টকা লাভ কৰিব। অতিৰিক্ত ২০ লাখ হিতাধিকাৰীক সামৰি অৰুণোদয় আঁচনি ৩.০ ৰাজ্যখনৰ প্ৰায় ৩৭.২০ লাখ যোগ্য হিতাধিকাৰী পৰিয়ালক লাভান্বিত হ'ব বুলিও কয় হিমন্ত বিশ্ব শৰ্মাই। এই আঁচনি ঘোষণা কৰাৰ সময়ত মুখ্যমন্ত্ৰীয়ে কৈছিল যে প্ৰত্যক্ষ লাভালাভ স্থানান্তৰৰ জৰিয়তে অসমৰ অৰ্থনৈতিকভাৱে পিছপৰা পৰিয়ালসমূহক আৰ্থিকভাৱে সবল কৰা হ'ব৷ ২০২০ চনৰ ২ অক্টোবৰত অসম চৰকাৰে আঁচনিখন আৰম্ভ কৰিছিল যদিও অতিৰিক্তি হিতাধিকাৰী নিৰ্বাচিত কৰি অৰুণোদয় ৩.০ ২০২৪ চনৰ আজিৰে পৰা আৰম্ভ কৰা হয়৷ ইপিনে আজি ৰাজ্যজুৰি অৰুণোদয়-৩.০ৰ বাবে প্ৰশাসনে জিলা আৰু মহকুমা পৰ্যায়ত বিশেষ কাৰ্যসূচী ৰূপায়ন কৰে। প্ৰতিটো বিধানসভা সমষ্টিতে সাংসদ, মন্ত্ৰী-বিধায়কৰ উপস্থিতিত প্ৰশাসনে জিলা আৰু মহকুমা পৰ্যায়ত বিশেষ কাৰ্যসূচী ৰূপায়ণ কৰে।

# স্মাৰ্ট মিটাৰৰ মাধমাৰৰ বিৰুদ্ধে ৰাজ্যৰ প্ৰান্তে প্ৰান্তে অব্যাহত প্ৰতিবাদ

## ডিমৌত শৰাইত লৈ আহি গতাই দিলে স্মাৰ্ট মিটাৰ

**ই-সংবাদ, ১৯ ছেপ্টেম্বৰঃ** পুনৰ স্মাৰ্ট মিটাৰৰ বিৰুদ্ধে স ৰৱ হৈছে সাধাৰণ নাগৰিক৷ হিন্দু-মুছলমান, মিঞা আদিৰ মায়াজালত বন্দী ৰাজ্যবাসীয়ে পুনৰ স্মাৰ্ট মিটাৰৰ বিৰুদ্ধে প্ৰতিবাদ কৰিবলৈ আৰম্ভ কৰিছে৷ উজনি অসমত প্ৰতিদিনে স্মাৰ্ট মিটাৰৰ বিৰুদ্ধে প্ৰতিবাদ কৰি গৈছে কেবাটাও সংগঠনে৷ উজনি অসমৰ ডিমৌত আজি ব্যতিক্ৰমী প্ৰতিবাদ সাব্যস্ত কৰে ৰাইজে৷ ডিমৌত শতাধিক ৰাইজে শৰাই এখনত এটা স্মাৰ্ট মিটাৰ লৈ স্থানীয় বিদ্যুৎ বিভাগৰ কাৰ্যালয়ত প্ৰতিবাদ সাব্যস্ত কৰে৷ স্মাৰ্ট মিটাৰসমূহ বিদ্যুৎ বিভাগৰ কাৰ্যালয়ত জমা কৰিবলৈ আহে৷ এটা স্মাৰ্ট মিটাৰ শৰাইত থৈ বাকী হাতত লৈ অহা স্মাৰ্ট মিটাৰসমূহ বিদ্যুৎ বিভাগৰ কাৰ্যালয়ৰ সন্মুখত শাৰীকৈ থৈ জমা দিবলৈ আহে প্ৰতিবাদকাৰীসকলে৷ ডিমৌৰ বিদ্যুৎ



বিভাগৰ কাৰ্যালয়ত শৰাইত লৈ অহা স্মাৰ্ট মিটাৰটোৰ লগতে বাকী স্মাৰ্ট মিটাৰসমূহ জমা দিয়ে। ৰাইজে কয় যে স্মাৰ্ট মিটাৰসমূহে ৰাজ্যবাসীক জ্বলা-কলা খুৱাইছে। ইপিনে কৃষক মুক্তি সংগ্ৰাম সমিতিয়েও লখিমপুৰত স্মাৰ্ট মিটাৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে৷ স্মাৰ্ট মিটাৰৰ বাতিল কৰাৰ দাবীত কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে৷ কেইবা শতাধিক লোকে প্ৰতিবাদ সাব্যস্ত কৰি শীঘ্ৰে স্মাৰ্ট মিটাৰসমূহ বাতিল কৰাৰ দাবী জনায়৷ এই কাৰ্যসূচীত অংশ লোকে প্ৰতিবাদকাৰীয়ে নতুনকৈ স্মাৰ্ট মিটাৰ লগাবলৈ যোৱা লোকক পছুখেদা দিব বুলি হুংকাৰ দিয়ে৷ কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে কয় যে কেন্দ্ৰীয় চৰকাৰে ২০২১ চনত বিশেষ নটিফিকেচনযোগে চৰকাৰী কাৰ্যালয়, উদ্যোগ তথা বাণিজ্যিক ক্ষেত্ৰত হে স্মাৰ্ট মিটাৰ লগোৱাৰ নিৰ্দেশ দিছিল৷ কিন্তু অসমত শক্তি বিভাগে ঘৰুৱা ব্যৱহাৰত স্মাৰ্ট মিটাৰ ব্যৱহাৰ কৰি ৰাইজক মাধমাৰ শোধাই আহিছে৷

# ৫২টা হ'লে নহ'ব

■ প্ৰথম পৃষ্ঠাৰ পৰা...

ছয় নং দফাৰ পৰামৰ্শৱালীক মনত পৰিছে ৰাজ্য চৰকাৰৰ। অৱসৰপ্ৰাপ্ত বিপ্লৱ শৰ্মা কমিটীয়ে ৰাইজৰ মতামত গ্ৰহণ কৰি সাজু কৰা প্ৰতিবেদনত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰক ৫৭টা পৰামৰ্শ দিছিল। হঠাতে এই পৰামৰ্শসমূহৰ ভিতৰৰ ৫২টা পৰামৰ্শ কাৰ্যকৰী কৰাৰ ঘোষণা কৰিছে ৰাজ্য চৰকাৰৰ মুৰব্বী হিমন্ত বিশ্ব শৰ্মাই। ৪ ছেপ্টেম্বৰত লখিমপুৰত অনুষ্ঠিত কেবিনেট বৈঠকত বিপ্লৱ শৰ্মা কমিটীৰ প্ৰতিবেদন ৫২টা পৰামৰ্শ গ্ৰহণ কৰিবলৈ অনুমোদন জনাইছিল। হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰে ৫২টা পৰামৰ্শ গ্ৰহণ কৰিব বুলি ঘোষণা কৰাৰ পাছতে কোন কেইটা পৰামৰ্শ গ্ৰহণ কৰিব তাকে লৈ প্ৰশ্ন কৰিবলৈ আৰম্ভ কৰিছে বিভিন্ন দল-সংগঠনে। মুখ্য বিৰোধী কংগ্ৰেছ দলে এদিন পূৰ্বে কেন্দ্ৰীয় চৰকাৰৰ অনুমোদন অবিহনে এয়া সম্ভৱ নেকি বুলি প্ৰশ্ন কৰি কোন কেইটা পৰামৰ্শ গ্ৰহণ কৰিব তাক ৰাজহুৱা কৰাৰ দাবী জনায়। একেই প্ৰশ্ন উত্থাপন কৰে সদৌ অসম ছাত্ৰ সন্থাই। মুখ্যমন্ত্ৰীয়ে ২০২৫ চনৰ এপ্ৰিল মাহৰ ভিতৰত ৫২টা পৰামৰ্শ বাস্তৱায়িত কৰাৰ বাবে লক্ষ্য নিৰ্দ্ধাৰণ কৰি আছুৰ সৈতে আলোচনা কৰা হ'ব বুলি প্ৰকাশ কৰাত আছুৱে সংবাদমেল যোগে কিছু মন্তব্য প্ৰদান কৰিছে। গুৱাহাটী বিশ্ববিদ্যালয়ত আছু নেতৃত্বই কয় যে ২০২৫ চনৰ এপ্ৰিলৰ ভিতৰত ৫২টা পৰামৰ্শ বাস্তৱায়িত কৰাৰ বাবে লক্ষ্য নিৰ্দ্ধাৰণ কৰি আছুৰ সৈতে আলোচনা কৰি আগবাঢ়িব খোজাৰ কথাটো আমি ইতিবাচক হিচাপে লৈছো। কিন্তু কেন্দ্ৰীয় চৰকাৰৰ আওতাত পৰা পৰামৰ্শসমূহ সমান্তৰালভাৱে আগবঢ়াই নিব লাগিব। কাৰ্যকৰী কৰি ফলাফল দিব লাগিব। আছুৰ মুখ্য উপদেষ্টা ড০ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই কয় যে কেন্দ্ৰীয় চৰকাৰে পৰামৰ্শসমূহ কাৰ্যকৰী কৰিবলৈ আগুৱাই আহিব লাগিব। বিপ্লৱ শৰ্মা কমিটীৰ প্ৰতিবেদনৰ সকলো পৰামৰ্শ ৰূপান্তৰিত হ'ব লাগিব। যাৰ বাবে আছুৱে যুঁজি যাব। ২০১৯ চনত অসম চুক্তিৰ ৬ দফাক লৈ বিপ্লৱ শৰ্মা কমিটী গঠন কৰিছিল। এই দফাত সাহিত্য-সংস্কৃতি সংৰক্ষণ, থলুৱাৰ ভূমি সংৰক্ষণ, লোকসভা-ৰাজ্যসভা-বিধানসভাত আসন সংৰক্ষণ, কেন্দ্ৰীয় চৰকাৰৰ চাকৰি আদিৰ বিষয়ে উল্লেখ আছে। প্ৰণিধানযোগ্য যে দীৰ্ঘদিন ধৰি অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী হৈ আছিল বৰ্তমানৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা।

# স্মাৰ্ট মিটাৰৰ বিৰুদ্ধে

■ প্ৰথম পৃষ্ঠাৰ পৰা...

বিজুলী ভৱন ঘেৰাও কৰি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰিবলৈ সাজু হৈছে। বিৰোধী ঐক্য মঞ্চৰ সভাপতি ভূপেন বৰা আৰু সাধাৰণ সম্পাদক লুৰীণজ্যোতি গগৈয়ে ২০ ছেপ্টেম্বৰৰ দিনৰ ১১ বজাত প্ৰতিবাদ কৰাৰ ঘোষণা কৰিছে। এই প্ৰতিবাদী কাৰ্যসূচীত বিৰোধী ঐক্য মঞ্চৰ আটাইকেটাইটা দলৰ কমেও এশকৈ প্ৰতিনিধি উপস্থিত থাকিব বুলি জানিব পৰা গৈছে। বিৰোধী ঐক্য মঞ্চৰ সভাপতি ভূপেন বৰা আৰু সাধাৰণ সম্পাদক লুৰীণজ্যোতি গগৈয়ে কয় যে স্মাৰ্ট মিটাৰৰ দ্বাৰা বৰ্তমানৰ চৰকাৰখনে অসমৰ ৰাইজক শোষণ কৰি আহিছে। চৰকাৰে বিদ্যুতৰ বিল স্মাৰ্ট মিটাৰৰ যোগেদি বৃদ্ধি কৰি সৰ্বসাধাৰণৰ ৰাইজৰ মুৰত যি মাধমাৰ শোধাইছে তাৰ বিৰুদ্ধে বিৰোধী ঐক্য মঞ্চই একত্ৰিতভাৱে গুৱাহাটীৰ বিজুলী ভৱন ঘেৰাও কৰিব। সবল প্ৰতিবাদৰ দ্বাৰা বিজেপি দল আৰু চৰকাৰৰ একনায়কত্ববাদী শাসনৰ বিৰুদ্ধে ৰাইজ সজাগ হ'ব বুলিও কয় বিৰোধী ঐক্য মঞ্চৰ নেতৃত্বই। উল্লেখ্য যে বিগত কিছুদিন ধৰি ৰাজ্যৰ ভিন্ন প্ৰান্তত স্মাৰ্ট মিটাৰৰ বিৰুদ্ধে ৰাইজে প্ৰতিবাদ সাব্যস্ত কৰি আহিছে। কংগ্ৰেছৰ লগতে বাকী দলসমূহেও গুৱাহাটীকে ধৰি বহু ঠাইত প্ৰতিবাদ জনাই আহিছে।

# লেবাননত এইবাৰ ফুটিল

■ প্ৰথম পৃষ্ঠাৰ পৰা...

ৰহস্য উদঘাটন নৌহওঁতেই এইবাৰ বিস্ফোৰণ ঘটিবলৈ আৰম্ভ কৰিছে ৱাকি-টকীৰো। ইয়াৰ উপৰিও লেবাননত এতিয়া ঘৰ, গাড়ী, মটৰ চাইকেল, সৌৰ ব্যৱস্থা সৰ্বত্ৰে বিস্ফোৰণ ঘটিবলৈ আৰম্ভ কৰাত পশ্চিম এছিয়াৰ এই দেশখনত সৃষ্টি হৈছে এক আতংকময় পৰিৱেশৰ। উল্লেখ্য যে, যোৱা ১৭ ছেপ্টেম্বৰত লেবাননৰ ৰাজধানী চহৰকে ধৰি বিভিন্ন প্ৰান্তত সংঘটিত পেজাৰ বিস্ফোৰণত ৯ জন লোকৰ মৃত্যু ঘটাৰ লগতে আন চাৰি হাজাৰৰো অধিক লোক আহত হৈছিল। পেজাৰ বিস্ফোৰনক লৈ আতংকই বিৰাজ কৰা দেশখনত নিহতৰ জানাজাৰ সময়তে এইবাৰ আৰম্ভ হয় ৱাকি-টকী বিস্ফোৰণ। ইটোৰ পিছত সিটোকৈ সংঘটিত কেইবাটাও ৱাকি-টকী বিস্ফোৰণত ইতিমধ্যে লেবাননত ৩২ জন লোকৰ মৃত্যু ঘটিছে। তদুপৰি আহত হৈছে ৩২৫০ জনৰো অধিক লোক। সংবাদ সংস্থা এ এফ পিৰ প্ৰতিবেদন অনুসৰি পেজাৰ বিস্ফোৰণৰ এদিন পিছতে ৱাকি-টকী বিস্ফোৰণ সংঘটিত হয়। সূত্ৰ অনুসৰি এই ৱাকি-টকীবোৰ ৫ মাহ পূৰ্বে ক্ৰয় কৰা হৈছিল। কোৱা হৈছে যে প্ৰায় সেই সময়ত পেজাৰো ক্ৰয় কৰা হৈছিল। প্ৰতিবেদন অনুসৰি বিস্ফোৰণ সংঘটিত হোৱাৰ লগে লগে হিজবুল্লাহৰ আন সদস্যসকলে ৱাকি-টকীৰ পৰা বেটাৰী আঁতৰাই পেলাই দিবলৈ আৰম্ভ কৰে। লেবাননৰ সংবাদ মাধ্যমৰ মতে, ঘৰত স্থাপন কৰা ছ'লাৰ চিষ্টেমতো বিস্ফোৰণ ঘটিছে। বাতৰি অনুসৰি, লেবাননৰ বেইৰুট, বেকা, নাবাতিয়েহ আৰু দক্ষিণ লেবাননত শ শ লোক এই ৱাকি-টকী বিস্ফোৰণত আহত হৈছে। লক্ষণীয় যে, যিবোৰ ৱাকি-টকীত এই বিস্ফোৰণ সংঘটিত হৈছে, সেইবোৰ হিজবুল্লাহে ব্যৱহাৰ কৰিছিল। লেবাননত সংঘটিত হোৱা এই পৰিঘটনাই আন এখন যুদ্ধৰ আশংকা বৃদ্ধি কৰিছে। প্ৰণিধানযোগ্য যে, মঙলবাৰে লেবাননত সংঘটিত পেজাৰ বিস্ফোৰণৰ বাবে ইজৰাইলক জগৰীয়া কৰিছে লেবাননৰ শাসকীয় সশস্ত্ৰ সংগঠন হিজবুল্লাহে। আমেৰিকান বাতৰি কাকত নিউয়ৰ্ক টাইমছৰ এক প্ৰতিবেদন অনুসৰি, এই পেজাৰসমূহ টাইৱানৰ এটা প্ৰতিষ্ঠানে লেবাননলৈ প্ৰেৰণ কৰাৰ পূৰ্বে ইজৰাইলী চোৰাংচোৱাৰ হাতত পৰিছিল আৰু তাত বিস্ফোৰক সংস্থাপন কৰা হৈছিল। হিজবুল্লাহে এই বিস্ফোৰণৰ বাবে ইজৰাইলক প্ৰত্যাক্ৰমণৰ বাবেও সকিয়নী প্ৰদান কৰিছে। পেজাৰ বিস্ফোৰণৰ ৰহস্য পোহৰলৈ অহাৰ পূৰ্বেই ৱাকি-টকীৰ ধাৰাবাহিক বিস্ফোৰণৰ ঘটনাই পৰিস্থিতি অধিক ভয়াবহ কৰি তুলিছে।

# শুৱালকুছিয়ে পালে বিশেষ

■ প্ৰথম পৃষ্ঠাৰ পৰা...

'শিল্পকলা' শিতানত ভাৰতীয় পৰ্যটন মন্ত্ৰালয়ে অন্যতম শ্ৰেষ্ঠ পৰ্যটন গাঁৱৰ স্বীকৃতি প্ৰদান কৰাত উৎফুল্লিত হৈ পৰিছে শুৱালকুছিবাসী। নিশাৰ ভাগত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমত এই সন্দৰ্ভত তথ্য সদৰী কৰাৰ লগে লগে অঞ্চলটোত আনন্দৰ বন্যা বয়। শিল্পকলা শিতানত শ্ৰেষ্ঠ পৰ্যটন গাওঁ হিচাপে নিৰ্বাচিত কৰাত উৎফুল্লিত হৈ পৰিছে যদিও বৰ্তমান অস্তিত্বৰ সংকটত পৰা  বস্ত্ৰ শিল্পটোৰ ঐতিহ্য অক্ষুণ্ণ ৰাখিবলৈ চৰকাৰক আহ্বান জনাইছে শুৱালকুছিৰ সচেতন ৰাইজে। পৰ্যটন ক্ষেত্ৰত এই খবৰে নিসন্দেহে ইতিবাচক খবৰ, কিন্তু একে সময়তে বহিৰাগত বস্ত্ৰই শুৱালকুছিৰ হস্ততাঁত শিল্পৰ প্ৰতি তীব্ৰ ভাবুকি কঢ়িয়াই আনিছে বুলি মন্তব্য কৰি এই ক্ষেত্ৰত সুব্যৱস্থা ল'বলৈ মুখ্যমন্ত্ৰীক বহুবাৰ আহ্বান জনোৱা বুলিও মন্তব্য কৰে সচেতন ৰাইজে। সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ শিক্ষা সম্পাদক ৰিংকু দাসে কয় যে বস্ত্ৰনগৰী শুৱালকুছিৰ বাবে এই খবৰ এক ইতিবাচক খবৰ। কিন্তু মুখ্যমন্ত্ৰীয়ে বিগত ২০টা বছৰ প্ৰতিনিধিত্ব কৰা জালুকবাৰী সমষ্টিৰ শুৱালকুছিৰ ঐতিহ্য বস্ত্ৰশিল্প তেওঁৰ প্ৰতিনিধিত্ব কৰা সময়ছোৱাতেই তীব্ৰ সংকটত পৰা বুলি মন্তব্য কৰে। ছাত্ৰ নেতাগৰাকীয়ে শিল্পটোৰ ঐতিহ্য গৰিমা অক্ষুণ্ণ ৰখাৰ স্বাৰ্থত শুৱালকুছিৰ ভৌগোলিক সীমাৰ ভিতৰতে বস্ত্ৰশিল্পৰ বাবে এটি বিশেষ পেকেজ প্ৰদান কৰি বস্ত্ৰশিল্পৰ গৰিমা অক্ষুণ্ণ ৰাখিবলৈ মুখ্যমন্ত্ৰীক আহ্বান জনায়। আনহাতে, শিল্পকলা শিতানত পৰ্যটনৰ ক্ষেত্ৰত অন্যতম শ্ৰেষ্ঠ গাওঁ হিচাপে স্বীকৃতি লাভ কৰাত আজিৰ প্ৰজন্মই বস্ত্ৰশিল্পটোৰ প্ৰতি আগ্ৰহী হ'ব বুলিও মন্তব্য কৰে ছাত্ৰ নেতাগৰাকীয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অ'এনজিচিৰ ড্ৰিলিং ৰীগ

বিৰুদ্ধে গৰজি উঠিছে আহোম সেনাৰ কেন্দ্ৰীয় সমিতি৷ অ'এনজিচি অসম এছেটৰ অসম বিৰোধী ষড়যন্ত্ৰ কোনো কাৰণতেই মানি নোলোৱাৰ হুংকাৰ প্ৰদান কৰা সংগঠনটোৱে আজি কেন্দ্ৰীয় পেট্ৰলিয়াম মন্ত্ৰী আৰু অসমৰ মুখ্যমন্ত্ৰীলৈ এখন স্মাৰক পত্ৰ প্ৰেৰণ কৰে৷ সংগঠনটোৰ মুখ্য সেনাধ্যক্ষ অংকুৰণ ফুকন আৰু সহঃসম্পাদক ঋতুৰাজ বৰগোহাঁই স্বাক্ষৰিত স্মাৰক পত্ৰত উল্লেখ কৰে যে, অসমৰ নিবনুৱাক অ'এনজিচিত নিযুক্তিৰ বাবে বহু পদ খালী থকাৰ পিছতো অসম বিৰোধী চক্ৰটোৱে বাৰ্ষিক এহেজাৰ কোটি টকাৰ লোকচানৰ সন্মুখীন হোৱা দেখুৱাই নিগমৰ ড্ৰিলিং গতাই দিছে ছাউথ এছিয়া নামৰ এটা বাহিৰৰ পুঁজিপতি গোষ্ঠীক৷ ৪৯০০ নম্বৰৰ ৰীগটো শেহতীয়াকৈ ছাউথ এছিয়া নামৰ গোষ্ঠীটোক কৰ্মচাৰী নিয়োগ আৰু মেইন্টেনেন্সৰ বাবে মাহেকত এক লাখ ষোল্ল হাজাৰ টকাত চুক্তিবদ্ধ হ'ল৷ নাজিৰাত অস্থায়ী কাৰ্য্যালয় স্থাপন কৰি একাংশ অপৈণত, অনভিজ্ঞ শ্ৰমিকক অভিযন্তা তথা দক্ষ কৰ্মচাৰী সজাই ভুৱা অভিযান্ত্ৰিক প্ৰতিস্থানৰ প্ৰমাণ পত্ৰৰে সাক্ষাৎকাৰৰ ভিত্তিত নিযুক্তি সম্পন্ন কৰিছে৷ বৰ্তমান শিৱসাগৰ চহৰৰ গাতে লাগি থকা মঠাদাং অঞ্চলৰ পৰা পাটসাঁকোলৈ চিফ্টিং অব্যাহত থকা ৰীগটোত আগন্তক কেইটামান দিনৰ ভিতৰতেই এই অনভিজ্ঞ কৰ্মচাৰীৰ হতুৱাই ছাউথ এছিয়া কোম্পানীয়ে আৰম্ভ কৰিব ড্ৰিলিং প্ৰক্ৰিয়া৷ ফলত অসম সম্পদৰ সৰ্বমুঠ ১৪ টা সক্ৰিয় ড্ৰিলিং ৰীগৰে এটা ব্যক্তিগত ছাউথ এছিয়াৰ হাতলৈ যোৱাৰ পিছতেই বাকী কেইটা ৰীগও পৰ্য্যায় ক্ৰমে বিদেশী গোষ্ঠীৰ হাতত গতাই দিয়াৰ পথ প্ৰশস্থ হ'ব৷ পৰিণতিত অসম বিৰোধী চক্ৰটোৱে ৰচনা কৰা ষড়যন্ত্ৰৰ আধাৰতেই অচিৰেই তিতা লাও গজিব অসম এছেট নাজিৰাৰ মুখ্য কাৰ্য্যালয়ত৷ আনহাতে ছাউথ এছিয়া নামৰ বিদেশী গোষ্ঠীটোৱে ৪৯০০ নম্বৰৰ ৰীগটোৰ অপাৰেচন মেনেজাৰৰূপী দালাল নগাঁৰৰ মঞ্জুৰ শ্বেখ নামৰ এজন ব্যক্তিয়ে মেন পাৱাৰৰ উপ-ঠিকা নগাঁৰৰেই বৰা নামৰ এজন ব্যক্তিক প্ৰদান কৰাৰো বিস্ফোৰক অভিযোগ পোহৰলৈ আহিছে৷ আহোম সেনাই অভিযোগ কৰা অনুসৰি এইগৰাকী বৰাৰ বিৰুদ্ধে পূৰ্বতে কৰ্মচাৰীক প্ৰৱঞ্চনা কৰাৰ একাধিক অভিযোগ আছে৷ একে সময়তে সংগঠনটোৰ এক বিস্ফোৰক অভিযোগ অনুসৰি অ'এনজিচিয়ে ৰেল টেষ্টিঙৰ ঠিকা সত্য অইল ফিল্ড নামৰ এক প্ৰতিষ্ঠানক গতাই দিছে৷ সেয়ে অ'এনজিচিৰ অসম বিৰোধী এনে ষড়যন্ত্ৰ কোনো কাৰণতেই আহোম সেনাই মানি নলয়৷ নিগম কৰ্তৃপক্ষই তাৎক্ষণিকভাৱে যদি এই হঠকাৰী সিদ্ধান্ত বাতিল নকৰে তেন্তে আহোম সেনাই ইয়াৰ বিৰুদ্ধে তীব্ৰ আন্দোলনৰ কাৰ্য্যসূচী গ্ৰহণ কৰিব বুলি প্ৰেৰিত বিবৃতিটোত সকীয়াই দিছে৷ উল্লেখ্য যে, ছাউথ এছিয়া নামৰ পুঁজিপতি গোষ্ঠীটোৱে অ'এনজিচিৰ ৪৯০০ নামৰ ড্ৰিলিং ৰীগটোৰ ঠিকা লাভ কৰাৰ পিছতেই যি কোনো প্ৰকাৰে ৰীগটোৰ কাম অব্যাহত ৰাখিবলৈ সকলো তৎপৰতা অব্যাহত ৰাখিছে৷ ইতিমধ্যে ছাউথ এছিয়াৰ এজেন্টৰূপী তিনিটা দালালে ৰীগটোৰ বিৰুদ্ধে কোনো পক্ষই যাতে আন্দোলনৰ কাৰ্য্যসূচী অথবা আন প্ৰক্ৰিয়াৰে সৰৱ হৈ উঠিব নোৱাৰে তাৰ বাবে ব্যাপক তৎপৰতা অৱলম্বন কৰিছে বুলি জানিব পৰা গৈছে৷ বিশেষকৈ বিদেশী কোম্পানী ছাউথ এছিয়া গোষ্ঠীৰ বিৰুদ্ধে সৰৱ হ'ব পৰাৰ সম্ভাৱনা থকা একাংশ দল-সংগঠনৰ মুখ বন্ধ কৰাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে৷ অৱশ্যে শিৱসাগৰৰ গৰিষ্ঠসংখ্যক দল-সংগঠনে কোনো কাৰণতেই অ'এনজিচিৰ এই সিদ্ধান্ত মানি নোলোৱাৰ কথা জানিবলৈ দিয়াৰ লগতে সিদ্ধান্ত বাতিল নকৰিলে অ-নিৰ্দিষ্টকালীন অ'এনজিচি বন্ধ ঘোষণা কৰিবলৈ বাধ্য হোৱাৰ কথাও জানিবলৈ দিয়ে।

# জনজাতীয় লোকক খেদি মুখ্যমন্ত্ৰী হৈছে হিমন্ত বিশ্ব, দাবী সাংসদ ৰকিবুলৰ

## হাৰিয়ানাৰ নিৰ্বাচনৰ পাছতে যাব মুখ্যমন্ত্ৰীৰ গাদী!

**ই-সংবাদ, ১৯ ছেপ্টেম্বৰঃ** ২৪ ঘণ্টাৰ ভিতৰতে হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰৰ অন্ত পেলাব ৰকিবুল হুছেইনে৷ ৰাহুল গান্ধী প্ৰধানমন্ত্ৰী হ'লেই পতন হ'ব অসমৰ হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰ৷ হিমন্ত বিশ্ব শৰ্মা নিজেই এজন জনজাতি বিৰোধী লোক৷ এজন জনজাতিয় লোকক আতৰাই মুখ্যমন্ত্ৰী হৈছে৷ এই অভিযোগ উত্থাপন কৰিছে ধুবুৰীৰ সাংসদ তথা কংগ্ৰেছ নেতা ৰকিবুল হুছেইনৰ৷ আজি সংবাদ মাধ্যমৰ মুখামুখি হৈ ৰকিবুল হুছেইন স্বভাৱসুলভভাৱে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক আক্ৰমণ কৰে৷ অৰুণোদয়ৰ আঁচনিৰ নামত ১২৫০ টকা দি চৰকাৰে ৪ হাজাৰ টকাকৈ লুটি থকা বুলি অভিযোগ আনি হুছেইনে কয় যে মূল্যবৃদ্ধি, স্মাৰ্ট মিটাৰৰ লগাই চৰকাৰে এটা এটা পৰিয়ালৰ পৰা মাহেকত কমেও ৫ হাজাৰকৈ লুটিছে৷ কিন্তু উভতাই দিছে ১২৫০ টকা৷ বাকী ৪ হাজাৰ টকাৰে চৰকাৰে বিলাস ভ্ৰমণ কৰিছে৷ বিনাশ কালে বিপৰীত বুদ্ধি হোৱা বুলি হিমন্ত বিশ্ব শৰ্মাক আক্ৰমণ হুছেইনে ট্ৰাইবেল বেল্ট আৰু ব্লকক লৈ হোৱাইট পেপাৰ দাখিল কৰিবলৈ চৰকাৰক দাবী জনাইছে৷ তেতিয়া সকলো স্পষ্ট হৈ পৰিব বুলি কৈ ৰকিবুলে কয় "মুখ্যমন্ত্ৰী নিজেই এজন জনজাতি বিৰোধী লোক৷ তেওঁ জনজাতীয় লোকক খেতি মুখ্যমন্ত্ৰী হৈছে৷ হাৰিয়ানাৰ নিৰ্বাচনৰ পাছতে মুখ্যমন্ত্ৰীয়ে গাদী হেৰুৱাৰ বুলি দাবী কৰে হুছেইনে৷ আনহাতে, ধিঙৰ যুৱকজন ধৰ্ষণ কাণ্ডত জড়িত নাছিল বুলি উত্থাপিত অভিযোগৰ চৰকাৰৰ পৰা স্পষ্টিকৰণ দাবী কৰিছে হুছেইনে৷

## আৰ জি কৰ কাণ্ড

# প্ৰাক্তন অধ্যক্ষ সন্দীপ ঘোষৰ পঞ্জীয়ন বাতিল ৰাজ্যিক চিকিৎসা পৰিষদৰ



**কলকাতা, ১৯ ছেপ্টেম্বৰঃ** কলকাতাৰ আৰ জি কৰ মেডিকেল কলেজৰ এগৰাকী মহিলা চিকিৎসকৰ ধৰ্ষণ আৰু হত্যাকাণ্ডত নাম সাঙোৰ খাই পৰা প্ৰাক্তন অধ্যক্ষ সন্দীপ ঘোষৰ চিকিৎসক পঞ্জীয়ন বাতিল কৰিছে ৰাজ্যিক চিকিৎসা পৰিষদে। এই তথ্য সদৰী কৰি পৰিষদে কয় যে সন্দীপ ঘোষক পূৰ্বেই এই সন্দৰ্ভত কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰা হৈছিল। কিন্তু ১১ দিন পিছতো তেওঁ কোনো উত্তৰ নিদিয়াত অৱশেষত তেওঁৰ পঞ্জীয়ন বাতিল কৰা হৈছে। উল্লেখ্য যে, আন্দোলনকাৰী কনিষ্ঠ চিকিৎসকসকলে প্ৰাক্তন অধ্যক্ষ সন্দীপ ঘোষৰ পঞ্জীয়ন বাতিল কৰিবলৈও দাবী জনাই আহিছিল। আৰ্থিক দুৰ্নীতিৰ গোচৰৰ উপৰিও আৰ জি কৰ কাণ্ডত নাম সাঙোৰ খাই পৰা প্ৰাক্তন অধ্যক্ষ সন্দীপ ঘোষক ইতিমধ্যেই গ্ৰেপ্তাৰ কৰিছে চি বি আইয়ে। ইফালে এই ঘটনাৰ পিছতে সন্দীপ ঘোষৰ পঞ্জীয়ন বাতিল কৰিবলৈ চিকিৎসা সমাজৰ পৰা দাবী উত্থাপন হৈছিল। সন্দীপক গ্ৰেপ্তাৰ কৰাৰ পিছত ৰাজ্যিক চিকিৎসা পৰিষদে তেওঁক যোৱা ৭ ছেপ্টেম্বৰত কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰে। এই জাননীত আৰ জি কৰ গোচৰত তেওঁৰ জড়িততাক লৈও প্ৰশ্ন উত্থাপন কৰা হয়। কিন্তু ১১ দিনৰ পিছতো তেওঁ কোনো সঁহাৰি প্ৰদান নকৰাত অৱশেষত পঞ্জীয়ন বাতিল কৰাৰ সিদ্ধান্ত লয় চিকিৎসা পৰিষদে। অন্যহাতে মঙলবাৰে চিকিৎস সংগঠন আই এম এৰ ৰাজ্যিক শাখাই চিকিৎসা পৰিষদৰ অধ্যক্ষলৈ এখন পত্ৰ প্ৰেৰণ কৰে। সন্দীপ ঘোষৰ পঞ্জীয়ন কিয় বাতিল কৰা হোৱা নাই সেই লৈ প্ৰশ্ন উত্থাপন কৰা হয় এই পত্ৰত। আই এম এৰ পত্ৰত কোৱা হৈছে যে 'ব্যক্তিগত সম্পৰ্ক' নোচোৰাকৈ সন্দীপৰ পঞ্জীয়ন বাতিল কৰিব লাগে। দুৰ্নীতিৰ অভিযোগত যোৱা ২ ছেপ্টেম্বৰত চিবিআইয়ে গ্ৰেপ্তাৰ কৰিছিল সন্দীপ ঘোষক।

# অৰুণোদয়ক বিদায় দি 'ন-লখিমী'ক আদৰাৰ কথা ক'লে প্ৰদেশ কংগ্ৰেছে

## ১,২০০ নহয়, মহিলাসকলে মাহেকত পাব ৩,০০০

**ই-সংবাদ, ১৯ ছেপ্টেম্বৰঃ** মহিলা ভোটাৰক আকৰ্ষিত কৰিবলৈ এতিয়াৰ পৰাই নতুন আঁচনি ঘোষণা কৰিবলৈ আৰম্ভ কৰিছে অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই। বৰ্তমানৰ শাসক পক্ষ বিজেপিক প্ৰত্যাহ্বান জনাই মহিলাৰ বাবে কংগ্ৰেছ শাসনলৈ আহিলে মহিলাসকলৰ বাবে আনিব বিশেষ আঁচনি। আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ৰাজ্য চৰকাৰৰ অভিলাষী আঁচনি অৰুণোদয় ৩.০ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰাৰ দিনটোতে প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই কংগ্ৰেছ চৰকাৰ আহিলে মহিলাক মাহেকত কিমানকৈ টকা দিব সেই কথা স্পষ্ট কৰে। ইমানে নহয় আঁচনিখনৰ নাম কি হ'ব সেয়াও ঘোষণা কৰে। আজি সাংবাদিকৰে মুখামুখি হৈ ভূপেন বৰাই প্ৰথমে ২০২৬ত অসমত বিৰোধী কংগ্ৰেছৰ চৰকাৰ আহিলে অৰুণোদয় আঁচনি বাতিল কৰাৰ ঘোষণা কৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অৰুণোদয় ৩.০ৰ শুভাৰম্ভণি পাছতেই অৰুণোদয় আঁচনি বাতিল কৰাৰ ঘোষণা কৰি প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই কয় যে অৰুণোদয় দিয়াৰ বাবে আমি বেয়া পোৱা নাই। কিন্তু আমাৰ ৰাজ্যত এতিয়া ১২,৬০০ চাকৰিৰ বিপৰীতে ৩২ লাখে আবেদন কৰে । ১২,৬০০ নিবনুৱাই চাকৰি পাব। কিন্তু বাকীবোৰৰ কি হ'ব? মুখ্যমন্ত্ৰীয়ে এই কথা ভাবিছেনে? আমি সেইসকলোৰে কথা ভাবিছো বুলি কৈ ভূপেন বৰাই কয় যে ২০২৬ত আমাৰ চৰকাৰ আহিব তেতিয়া অৰুণোদয় আঁচনি বন্ধ কৰি ন-লখিমী আঁচনি আহিব। মুখ্যমন্ত্ৰীয়ে বাচি বাচি বিজেপিৰ সদস্যকহে অৰুণোদয় দিছে। আমি জাতি-বৰ্ণ-ধৰ্ম আৰু ভাষা নিৰ্বিশেষে ন-লখিমীৰ ধন দিম। কংগ্ৰেছ চৰকাৰে প্ৰতি মাহৰ ৯ তাৰিখে ভাষা-জাতি-ধৰ্ম নিৰ্বিশেষে হিতাধিকাৰীক ৩০০০ টকাকৈ দিম। ইপিনে বিজেপিৰ সভালৈ আজিকালি মানুহ নাহে বুলি কটাক্ষ কৰি ভূপেন বৰাই কয় যে বিজেপিৰ মন্ত্ৰী-বিধায়ক মিটিঙলৈ গ'লে মানুহ নাহে। সেয়ে চৰকাৰী আঁচনিৰ ফৰ্ম দিম বিজেপিয়ে সভালৈ মানুহ আনিবলগীয়া হৈছে।



দিছপুৰত ছুইটছ টিপি অৰুণোদয় ৩.০ৰ উদ্বোধন কৰিলে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই

# অসম প্ৰদেশ কংগ্ৰেছে প্ৰকাশ কৰিব মাহেকীয়া মুখপত্ৰ

**গুৱাহাটী, ১৯ ছেপ্টেম্বৰঃ** অসম প্ৰদেশ কংগ্ৰেছ কমিটিয়ে নিয়মীয়াকৈ এখন মাহেকীয়া মুখপত্ৰ প্ৰকাশ কৰিব। কংগ্ৰেছ দলৰ কৰ্মসূচী আৰু ৰাজহুৱা দায়বদ্ধতা বিষয়ক আঁচনিসমূহ ৰাইজক অৱগত কৰাৰ লক্ষ্যৰে ইতিমধ্যে আব্দুল খালেকক অধ্যক্ষ হিচাপে লৈ এখন সমিতি গঠন কৰি দিয়া হৈছে। এই মুখপত্ৰখনত কংগ্ৰেছৰ নীতি-আদৰ্শৰ প্ৰচাৰ চলোৱাৰ লগতে বিজেপি দল আৰু চৰকাৰৰ জনবিৰোধী কামসমূহ ৰাইজৰ ওচৰলৈ লৈ যোৱা হ'ব। মুখপত্ৰখনৰ জৰিয়তে ৰাইজক ৰাজনৈতিকভাৱে সজাগ কৰাৰ চেষ্টা চলোৱা হ'ব। অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি ভূপেন কুমাৰ বৰাই আজি ১২ জনীয়া এখন সমিতি গঠন কৰি দিয়ে। এই সমিতিখনত আছে প্ৰাক্তন মন্ত্ৰী হিৰণ্য বৰা, প্ৰাক্তন সাংসদ বিষ্ণুপ্ৰসাদ, বিধায়ক শিৱামণি বৰা, মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰা, সম-অধ্যক্ষ মেহদী আলম বৰা, বিপুল গগৈ, ৰাতুল কলিতা, ঋতুপৰ্ণ কোঁৱৰ, প্ৰবীণ বড়ো আৰু বিদিশা নেওগ। প্ৰফুল্ল কুমাৰ দাসক এই সমিতিখনৰ আহ্বায়কৰ দায়িত্ব দিয়া হৈছে

## ৫০গ্ৰাম মাছক লৈ দলিয়াই দিলে দগা-পাল্লা

# মাছ ব্যৱসায়ীৰ সন্মুখত বিজেপি নেতাৰ গুণ্ডাগিৰিৰ ঘটনা

**ই-সংবাদ, ১৯ ছেপ্টেম্বৰঃ** গুৱাহাটী মহানগৰীত বিজেপি কৰ্মীৰ গুণ্ডাগিৰিৰ ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। দৰিদ্ৰ মাছ ব্যৱসায়ীয়ে মাছৰ ওজন কমকৈ নধৰাত মাছ দলিয়াই দিয়াৰ লগতে দগাপাল্লা দলিয়াই দিয়ে। এই সমস্ত দৃশ্য বন্দী হৈছে চিচিটিভিত। বুধবাৰে বিজেপি নেতা বুলি সন্দেহ কৰা এজন লোকে মাছ ক্ৰয় কৰিবলৈ আহিছিল। সেই সময়ত এনে কাণ্ড সংঘটিত কৰাৰ অভিযোগ উঠিছে। জানিব পৰা মতে, এক কিলো ২০০ গ্ৰাম বিগহেড মাছ কাটিছিল এজন ব্যৱসায়ীয়ে। মাছখিনি আছিল ২০০ টকাৰ। এজনক ৬০০ গ্ৰাম মাছ বিক্ৰী কৰাৰ অন্তত আধা কিলো মাছ ৰৈ যায়। কিন্তু বিজেপি নেতাজনে মাছখিনিৰ ওজন ৪৫০ গ্ৰাম ধৰিবলৈ কয়। কিন্তু দৰিদ্ৰ মাছ ব্যৱসায়ীজনে ১০ টকা কমকৈ দিবলৈ কয়। তাৰ পাছতে বিজেপি নেতাজনে মাছখিনি আৰু দগা-পাল্লা দলিয়াই দি দম্ভালি দেখুৱায়। ইমানে নহয়, বিজেপি নেতাজনে মাছ ব্যৱসায়ীজনক উক্ত স্থানত বহিবলৈ নিদিয়াৰ হুংকাৰ দিয়াৰ লগতে সেই ঠাইত মাছ বিক্ৰী কৰিলে কথা বেয়া হ'ব বুলিও ভাবুকি প্ৰদান কৰে



ৰাইজৰ দলৰ জাতীয় যুৱ বাহিনীত গুৱাহাটী বিশ্ববিদ্যালয়, কটন, গুৱাহাটী কমাৰ্চ কলেজৰ শতাধিকৰ যোগদান

# বিত্তীয় কেলেংকাৰী, মৰিগাঁও জিলা পৰিষদৰ প্ৰাক্তন গাণনিকক কৰিলে নিলম্বন

**ই-সংবাদ, মৰিগাঁও, ১৯ ছেপ্টেম্বৰঃ** মৰিগাঁও জিলা পৰিষদৰ কাৰ্যালয়ত ৩৫ লাখ টকাৰ বিত্তীয় খেলিমেলি সংঘটিত কৰাৰ অভিযোগ প্ৰাক্তন গাণনিক তথা বৰ্তমান যোৰহাট জিলা পৰিষদৰ কাৰ্যালয়ত কৰ্মৰত গাণনিক মৰিগাঁৱৰ নৱকৃষ্ণ মহন্তক পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ আয়ুক্তই তৎকালে বলৱৎ হোৱাকৈ চাকৰিৰ পৰা নিলম্বিত কৰিছে। প্ৰাপ্ত তথ্য মতে মৰিগাঁও জিলা পৰিষদৰ কাৰ্যালয়ৰ নিৰ্মীয়মান সভাকক্ষটোৰ ভূমি সংলগ্ন মহলাটোৰ মেৰামতি আৰু পুনৰনিৰ্মাণৰ বাবে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ পৰা ৩৫,৮২,১৭২ টকা আবণ্টন দিয়া হৈছিল। এই বৃহৎ ধনৰাশিৰ প্ৰথম কিস্তিৰ ৮,৯৫,৫৪৩ টকা ২৩/৫/২০২৩ তাৰিখে, দ্বিতীয় কিস্তিৰ ১৭,৯১,০৮৬ টকা ২৫/৫/২০২৩ তাৰিখে আৰু তৃতীয় কিস্তিৰ ৮,৯৫,৫৪৩ টকা ২৩/১১/২০২৩ তাৰিখে মোকলাই দিয়া হৈছিল। ইয়াৰে দ্বিতীয় আৰু তৃতীয় কিস্তিৰ ধন বিভাগীয় অনুমোদন নোহোৱাকৈয় মোকলাই দিয়া হৈছিল। এই ঘটনা সম্পৰ্কত বিভাগীয় নিৰ্দেশ মৰ্মে মৰিগাঁও জিলা আয়ুক্তৰ কাৰ্যালয়ৰ পৰা এক তদন্ত চলোৱা হৈছিল। মৰিগাঁৱৰ জিলা আয়ুক্ত ই প্ৰেৰণ কৰা নং- চি এ/ ২১২১/৯৪৬ দিনাংক ৩১/৮/২০২৪ তদন্তৰ প্ৰতিবেদন খনত গাণনিক গৰাকীৰ বিৰুদ্ধে বিত্তীয় খেলিমেলিৰ বহু তথ্য লাভ কৰাত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ আয়ুক্ত জয় শিৱানীয়ে আদেশ নং- ৫৪৯৪১০/ডি এফ এ/৮৪৮-১৬৫ যোগে চাকৰিৰ পৰা নিলম্বিত কৰিছে।

# মদ্যপায়ী পুত্ৰক বধ কৰাৰ কথা সদম্ভে ঘোষণা পিতৃৰ

**ই-সংবাদ, শিৱসাগৰ, ১৯ ছেপ্টেম্বৰঃ** পিতৃয়ে নিজ পুত্ৰক হত্যা কৰাৰ দৰে ঘটনা পুনৰ সংঘটিত হৈছে এইখন অসমত। উজনি অসমৰ শিৱসাগৰ জিলাত সংঘটিত এই ঘটনাই সমগ্ৰ ৰাজ্যখনকে জোকাৰি গৈছে। শিৱসাগৰৰ কোঁৱৰপুৰ টেপৰতল গোহাই গাঁৱৰ ৰমেন বৰুৱাই ৩২ বছৰীয়া পুত্ৰ দীপু বৰুৱাক নৃশংসভাবে হত্যা কৰে। ৰমেন বৰুৱাই পুত্ৰ দীপু বৰুৱাক শোৱাপাটিতে দাৰে ঘপিয়াই হত্যা কৰি ঘৰতে বাহৰ পাতি আছিল। পুৱতি নিশাহে আৰক্ষীয়ে ঘৰৰ পৰা গ্ৰেপ্তাৰ কৰে। যাঠিৰ উৰ্ধৰ ৰমেন বৰুৱাই কেমেৰাৰ সন্মুখত পুত্ৰক হত্যা কৰাৰ কথা স্বীকাৰ কৰে। বৃদ্ধ পিতৃ ৰমেন বৰুৱাই সুৰাপায়ী পুত্ৰৰ উৎপাতৰ অভিযোগ উত্থাপন কৰি হত্যা কৰাৰ কথা স্বীকাৰ কৰে। প্ৰতিদিনে ম'হ পালক পুত্ৰ দীপু বৰুৱাই অত্যাধিক মদ্যপান কৰি ঘৰত আহুকালৰ সৃষ্টি কৰাৰ লগতে ক্ষতি কৰাৰ অভিযোগ আনে ৰমেন বৰুৱাই। অন্য দিনাৰ দৰেই কালিও পুত্ৰ দীপু বৰুৱাই সুৰাৰ ৰাগীত মাতাল হৈ ঘৰলৈ আহিছিল। ঘৰলৈ আহি এফালৰ পৰা ঘৰৰ সামগ্ৰী লণ্ড-ভণ্ড কৰি কৰিছিল। কিছু সময় পাছতে পিতৃকো শাৰীৰিক-মানসিক অত্যাচাৰ কৰিবলৈ আৰম্ভ কৰে। সেই সময়তে খঙত অগ্নিশৰ্মা হৈ পিতৃয়ে দাৰে নৃশংসভাৱে ঘপিয়াই পুত্ৰক হত্যা কৰে। পুৱতি নিশা প্ৰায় ৩ বাজি ৩০ মিনিটত এই হত্যাকাণ্ড সংঘটিত হয়। শুই থকা অৱস্থাতে দাৰে ডিঙিত ঘপিয়াই পুত্ৰক হত্যা কৰে পিতৃ ৰমেন বৰুৱাই। ঘটনাস্থলীত শিৱসাগৰ সদৰ আৰক্ষী উপস্থিত হৈ দীপুৰ মৃতদেহ উদ্ধাৰ কৰে। আৰক্ষীয়ে ৰমেন বৰুৱাই পুত্ৰক হত্যাৰ বাবে ব্যৱহাৰ কৰা তেজ লাগি থকা দাখনো উদ্ধাৰ কৰিবলৈ সক্ষম হয়। বৰপুত্ৰৰ এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে ১১৯/২০২৪ নম্বৰত গোচৰ ৰুজু কৰি গ্ৰেপ্তাৰ কৰে।



গুৱালকুছিত গায়ন-বায়নে আদৰিলে ভূপেন বৰাক




ৰাহুল গান্ধীক প্ৰাণে মৰাৰ ভাবুকি, বিজেপি নেতাৰ বিৰুদ্ধে নলবাৰীত কংগ্ৰেছৰ প্ৰতিবাদ

## গুৱাহাটীৰ গোপীনাথ নগৰত বিধ্বংসী অগ্নিকাণ্ড

**ই-সংবাদ, ১৮ ছেপ্টেম্বৰঃ** আজি গুৱাহাটী মহানগৰীৰ আৰ্যনগৰৰ গোপীনাথ নগৰত ভয়ংকৰ অগ্নিকাণ্ড সংঘটিত হৈ কেইবাটাও পৰিয়ালৰ সা-সম্পত্তি ভস্মীভূত হয়। প্ৰায় ১২ বজাত দিলীপ শইকীয়া নামৰ লোকজনৰ ঘৰ এটাৰ পৰা ধোঁৱা ওলাবলৈ ধৰাত হুৱা-দুৱা লাগে। কিছু সময় পাছতে জুইৰ লেলিহান শিখাই কেইবাটাও পৰিয়ালৰ ঘৰত সাঙুৰি লোৱাত চিলিণ্ডাৰ বিস্ফোৰণ হয়। অগ্নিকাণ্ডই ভয়ংকৰ ৰূপ লয়। অগ্নিকাণ্ডই কেবাটাও পৰিয়ালৰ ঘৰ-দুৱাৰ ঘেৰি লয়। প্ৰায় ৮টা পৰিয়ালৰ সা-সম্পত্তিৰ লগতে এটা মছজিদৰ সামগ্ৰীও এই বিধ্বংসী জুইত জাহ যায়।

## সামগ্ৰীৰ দাম ৬০০টকাৰ পৰা ৮.৫লাখ টকা পৰ্যন্ত নিৰ্ধাৰণ

# নিলাম কৰা হ'ব প্ৰধানমন্ত্ৰীয়ে লাভ কৰা স্মাৰক, নমামী গংগাৰ নামত খৰছ হ'ব সেই ধন

**নতুন দিল্লী, ১৯ ছেপ্টেম্বৰঃ** বিভিন্ন সভা-অনুষ্ঠানত প্ৰধানমন্ত্ৰীয়ে লাভ কৰা স্মাৰকসমূহ নিলাম কৰি তাৰ পৰা লাভ কৰা ধন আগবঢ়োৱা হ'ব নমামী গংগা প্ৰকল্পৰ পুঁজিলৈ। বৃহস্পতিবাৰে এই ঘোষণা কৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। প্ৰত্যেক বছৰৰ দৰে এইবাৰো তেওঁ লাভ কৰা স্মাৰকসমূহ নিলাম কৰা হ'ব বুলি ঘোষণা কৰি প্ৰধানমন্ত্ৰীয়ে কয়, 'প্ৰতি বছৰে বিভিন্ন অনুষ্ঠান আৰু সভাত পোৱা স্মাৰকসমূহ নিলাম কৰা হয়। সেই ধন নমামী গংগা প্ৰকল্পৰ বাবে দান কৰা হ'ব। এইবাৰৰ নিলামো আৰম্ভ হৈছে। আপুনি ভাল পোৱা স্মাৰকটো বাছি লওক।" প্ৰসংগক্ৰমে এই অনলাইন নিলামত ৬০০ৰো অধিক স্মাৰক আছে, যিবোৰ প্ৰধানমন্ত্ৰীয়ে বিভিন্ন সভা-সমাৰেশত উপহাৰ হিচাপে লাভ কৰিছিল। ইয়াৰ ভিতৰত আছে বিভিন্ন ভাস্কৰ্য্য, চিত্ৰকলা, থলুৱা শিল্প প্ৰদৰ্শনী আৰু ২০২৪ চনৰ পেৰালিম্পিকৰ বিভিন্ন স্মাৰক। যিকোনো ব্যক্তিয়ে নিজ নিজ ৱেবছাইটত পঞ্জীয়ন কৰি এই নিলামত ভাগ ল'ব পাৰিব। ইফালে কেন্দ্ৰীয় মন্ত্ৰী গজেন্দ্ৰ সিং শ্বেখাৱাটে প্ৰধানমন্ত্ৰীৰ স্মাৰকৰ এই নিলামৰ পদক্ষেপক আদৰণি জনাইছে। তেওঁ কয় যে এই পদক্ষেপে মানুহক ইতিহাসক অধিক আকোৱালি ল'বলৈ উৎসাহিত কৰিব। উল্লেখ্য যে, এই নিলাম ২ অক্টোবৰলৈকে চলিব। মন কৰিবলগীয়া যে, নৰেন্দ্ৰ মোদীয়ে ২০০৯ চনত ইউ পি এ চৰকাৰে আৰম্ভ কৰা 'মিছন গংগা' প্ৰকল্পৰ নাম সলনি কৰি দহবছৰ পূৰ্বে 'নমামী গংগা' কৰিছিল। মিছন গংগাৰ দুটা উদ্দেশ্য আছিল। প্ৰদূষণ নোহোৱাকৈ 'নিৰ্মল গংগা' আৰু বাধাহীন প্ৰবাহৰ সৈতে 'অবিৰল গংগা'। 'নমামী গংগা' প্ৰকল্পৰ পৰা অবিৰল গংগাৰ লক্ষ্য বাদ দিয়া হৈছে। লগতে মোদীয়ে জলসম্পদ মন্ত্ৰালয়ত গংগা ৰিজুভেনেচন নামৰ এটা বিভাগ সংযোজন কৰে। এই পৰ্যন্ত মুঠ ২০ হাজাৰ কোটি টকা আবণ্টনৰ আধাতকৈ অধিক ব্যয় হৈছে। নিলামৰ পৰা সংগ্ৰহ কৰা ধনো এইবাৰ সেই খণ্ডত সংযোজন কৰা হ'ব।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

## সাংবাদিক, শিক্ষাবিদ, সমাজকৰ্মী, অধিবক্তাৰ কংগ্ৰেছত যোগদান

# হিমন্ত বিশ্ব শৰ্মাৰ দুৰ্গ জালুকবাৰীত কংগ্ৰেছৰ ৰণডংকা

**ই-সংবাদ, শুৱালকুছিঃ** বিজেপিৰ বৃহৎ সদস্য ভৰ্তি অভিযান চলি থকাৰ সময়তে খোদ মুখ্যমন্ত্ৰী ডাঃ হিমন্ত বিশ্ব শৰ্মাৰ গৃহ সমষ্টিত জালুকবাৰীত বিজেপিৰ খহনীয়া আৰম্ভ হৈছে। জালুকবাৰী সমষ্টিৰ হিমন্ত বিশ্ব শৰ্মাৰ দুৰ্গখ্যাত শুৱালকুছি প্ৰাক্তন সাংবাদিক, শিক্ষাবিদ, সমাজকৰ্মী, অধিবক্তা, বিজেপি কৰ্মীসহ দুই শতাধিক লোকে কংগ্ৰেছত যোগদান কৰিছে। যিসকলে লোকে বিগত তিনিটা দশক ধৰি হিমন্ত বিশ্ব শৰ্মাৰ হৈ জালুকবাৰী সমষ্টিত কাম কৰি আছিল। শেষত হিমন্ত বিশ্ব শৰ্মাৰ প্ৰতি মোহভংগ হৈ কংগ্ৰেছত যোগদানৰ সিদ্ধান্ত লয়। কামৰূপ গ্ৰাম্য জিলা কংগ্ৰেছৰ সহযোগত আৰু শুৱালকুছি ব্লক কংগ্ৰেছৰ উদ্যোগত বুধবাৰে শুৱালকুছিত কংগ্ৰেছৰ বৃহৎ যোগদান সভা অনুষ্ঠিত হয়। পঞ্চায়ত নিৰ্বাচনৰ পূৰ্বে বিজেপিৰ বিৰুদ্ধে নিৰ্বাচনী ৰণডংকা বজাই কংগ্ৰেছে। এতিয়াৰ হাজো-শুৱালকুছি সমষ্টিৰ বিভিন্ন স্থানৰ পৰা অহা ভিন ভিন স্তৰৰ দুই শতাধিক লোকে কংগ্ৰেছত যোগদান কৰি আগন্তুক বিধানসভা নিৰ্বাচনত কংগ্ৰেছৰ এখন ধৰ্ম নিৰপেক্ষ সুস্থ, সবল চৰকাৰ গঠনত সহায়ক কৰিব বুলি কয়। সকলোকে আদৰণি জনাই প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই। ভূপেন বৰাই কয় যে বিগত ২২ বছৰে শুৱালকুছিক প্ৰতিনিধিত্ব কৰা বিধায়ক তথা বৰ্তমানৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই শুৱালকুছিক নিঃশেষ কৰিলে। শক্তিশালী বুলিভবা এজন বিধায়ক থাকোতে শুৱালকুছিৰ আত্মাই উচুপিছে। জাতি ভেটি মাটিৰ জয় গান গায় সমষ্টিৰ বুকুৰ কুটুম হোৱা বিধায়কগৰাকীয়ে শুৱালকুছিৰ ঐতিহ্য অসমৰ স্বাভিমান শিপিনীৰ আত্মনিৰ্ভৰশীলতা বাহিৰা বণিকে কাঢ়ি নিয়াৰ পিছতো নীৰৱ হৈ থকাতো অতি দুখৰ কথা বুলি গণ্য কৰা হৈছে। শুৱালকুছিৰ শিপিনীৰ সুনিপুণ কৰ্মশৈলী অভিভূত হৈ পৰা মহাত্মা গান্ধীৰ সপোনক



ধুলিস্যাৎ কৰি নিজৰ মুনাফাৰ বাবেই বাহিৰা বণিকক ৰঙা দলিচা পাৰি দিয়া কাৰ্যক জাতিৰ শত্ৰু হিচাপে চিহ্নিত কৰিবৰ হ'ল বুলিও তেওঁ কটাক্ষ কৰে বৰাই। ভূপেন বৰাই আৰু কয় যে ৰাজনীতিৰ নামত সাম্প্ৰদায়িকতা বীজ সিঁচি নিজৰ গাদী দখলৰ যি কুটিল ৰাজনীতি অসমত চলাইছে ৰাইজে তাক মষিমূৰ কৰিবলৈ ককালত টঙালি বান্ধিছে। যদিও ৰাজনীতি দলীয় স্বাৰ্থ জড়িত থাকে কংগ্ৰেছ ইয়াৰ উৰ্ধত থাকি সমাজনীতিক উচ্চ আসনত ৰাখি কাম কৰি যায়। সেই বাবে কংগ্ৰেছৰ আদৰ্শত অনুপ্ৰাণিত হৈ বৰ্তমান অসমৰ চুকে-কোণে বিজেপিৰ নেতাকে ধৰি বিভিন্ন দলৰ নেতা-কৰ্মীৰ কংগ্ৰেছলৈ আগমণ ঘটিছে বুলি কয়। অসম চুক্তিৰ সফল সমাধানৰ জয়ঢোল বজাই চৰকাৰ গঠন কৰা বিজেপিয়ে ৮ বছৰে ৰাইজক দিয়া প্ৰতিশ্ৰুতিৰ এটাও পূৰণ কৰিব নোৱাৰাটো সৰ্বকালৰ ব্যৰ্থ চৰকাৰ হিচাপে পৰিগণিত হৈছে। বিজেপিয়ে কেৱল নিৰ্বাচনত জিকাৰ বাবে ৰাজনীতি আহিলা হিচাপে ব্যৱহাৰ কৰা বুলি অভিমত কৰে। কিয়নো ৰাজনৈতিক ভাবে বিপদ আহিলেই হিমন্তই অসমত সাম্প্ৰদায়িক বিষবাষ্প ছটিয়াই নিজৰ মুনাফা আদায়ত নামি পৰে। বিজেপিৰ ৰাজনীতিত দয়া মমতা মানৱীয়তাৰো স্থানো নাই বুলিও কয় বৰাই। সভাত প্ৰাক্তন সাংসদ আব্দুল খালেকে অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই খিলঞ্জীয়াৰ মাটি বাহিৰা বণিকক দি নিজৰ জেপ গধুৰ কৰাৰ কৌশল ৰচনা কৰিছে তাক প্ৰতিহত কৰাৰ বাবে আগন্তুক কংগ্ৰেছ চৰকাৰে খিলঞ্জীয়াৰ মাটি সুৰক্ষা নীতিৰে কঠোৰ আইন প্ৰনয়ণৰ কৰিব বুলি কয়। কংগ্ৰেছৰ কৰ্মীসকলক অধিক উৎসাহেৰে কাম কৰি চৰকাৰ গঠনত সহায়ক হ'বলৈ আহ্বান জনায়। যোগদান কাৰ্যসূচীত অংশগ্ৰহণ কৰি বিশিষ্ট লিখক সাংবাদিক নাগৰিক অধিকাৰ সমাজৰ কেন্দ্ৰীয় উপ-সভাপতি ডাঃ পংকজ লোচন বৈশ্যই মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই তেওঁৰ ৰাজনৈতিক কাৰ্যকালত নিজৰ সমষ্টিৰ ৰাইজকে লুণ্ঠন কৰি সম্পত্তিৰ পাহাৰ গঢ়াৰ অভিযোগ উত্থাপন কৰে। বিশেষকৈ দদৰা, দলিবাৰী, পচৰীয়াৰ কৃষকৰ মাটি নুমলীগড়ৰ ৰিফাইনাৰীক দি কৃষকক ভাটে মৰাৰ যি পৰিকল্পনা ৰচনা কৰিছিল তাক অঞ্চলটো কৃষকসকলে আইনগত ভাবে যোগ্য প্ৰত্যুত্তৰ দিয়ে। কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকৰ সদস্য বাপুকণ আলিৰ পৌৰহিত্যত্বত অনুষ্ঠিত যোগদান সভাত কংকণ দাস, মুকুট ডেকা আদিয়ে ভাষণ প্ৰদান কৰি আগন্তুক বিধানসভাত কামৰূপ গ্ৰাম্যৰ পৰা অতিকমেও চাৰিজন বিধায়ক দিছপুৰক উপহাৰ দিয়া লক্ষ্য ৰাখে। সভাৰ পূৰ্বে অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাক বৰসত্ৰৰ পৰা গায়ন-বায়ন, ঢোল তাল বাৰেৰহনীয়া সাংস্কৃতিক সমদলেৰে কলিতা মন্দিৰ বালিচৰ সভাগৃহলৈ পদব্ৰজে আদৰি আনে। অগণন জনতাই সভাপতিগৰাকীক উস্ম আদৰণি জনায়।

শেষ পৃষ্ঠা

# অপহৃতৰ পৰা দাবী কৰা ধন ফোন-পেত লৈ গণৰোষৰ বলি সাগৰ

**ই-সংবাদ, মৈৰাবাৰীঃ** মৰিগাঁৱৰ মৈৰাবাৰী বজাৰত তিনি যুৱকৰ অপহৰণ কাণ্ডই চাঞ্চল্যৰ সৃষ্টি কৰিছে। গৰৈমাৰীৰ পৰা বজাৰ কৰিবলৈ অহা তিনি যুৱকক তিনিজনীয়া দুৰ্বৃত্ত দলে ধন দাবী কৰি অপহৰণ কৰি নিয়াৰ অভিযোগ চাঞ্চল্যৰ সৃষ্টি কৰিছে। আজাহাৰুল ইছলাম, উমৰ ফাৰুক আৰু ইছৰাফিল হক মৈৰাবাৰী ৰেল ষ্টেচনৰ ওচৰত আবদ্ধ কৰি দুৰ্বত্তৰ দলে তিনিলাখ টকা দাবী কৰে। হাতে-ভৰি ধৰাত তিনি লাখৰ পৰা ২০ হাজাৰ টকাৰ বিনিময়ত যুৱক কেইজনক এৰি দিয়ে দুৰ্বৃত্তৰ দলটোৱে। দাবিকৃত ধন ফোন পেৰ জৰিয়তে লৈছিল দুৰ্বৃত্তই। ঘটনা সন্দৰ্ভত অৰক্ষীৰ কাষ চাপিলে প্ৰাণে মৰাৰো ভাবুকি প্ৰদান কৰিছিল তিনি যুৱকক। দুৰ্বত্তৰ দলটোৰ অন্যতম সাগৰ ডকাইত উৰফে ছাইদুৰ ৰহমানক চিনি পাইছিল যুৱক কেইজনে। তিনি যুৱকে ঘৰত গৈ পৰিয়ালৰ লোকক সকলো কথা অৱগত কৰাত মৈৰাবাৰীৰ সাগৰ ডকাইতৰ বিচাৰি ৰাইজে অভিযান চলায়। এখন জুছৰ দোকানত সাগৰক প্ৰত্যক্ষ কৰি সাগৰক কৰায়ত্ব কৰি উত্তম মধ্যম শোধাই মৈৰাবাৰী আৰক্ষীক গতাই দিয়ে। গণৰোষৰ বলি সাগৰে অপহৰণ কাণ্ডৰ কথা স্বীকাৰ কৰি ৰপচন খান আৰু মুস্তাক ফাইজুৰ ৰহমান নামৰ আন দিই দুৰ্বৃত্ত জড়িত থকাৰ কথা স্বীকাৰ কৰা বুলি আৰক্ষী সূত্ৰই জানিবলৈ দিয়ে। ইফালে দাবী কৰা ধন মুস্তাক ফাইজুৰ ৰহমানৰ একাউণ্টত ফোন পে জড়িয়তে লোৱাৰ কথাও স্বীকাৰ কৰে সাগৰে।

# প্ৰাক্তন আমোলাৰ বাসগৃহত ইডিৰ অভিযান, উদ্ধাৰ হ'ল সোণ হীৰাৰ বিশাল ভাণ্ডাৰ

**নতুন দিল্লী, ১৯ ছেপ্টেম্বৰঃ** এগৰাকী প্ৰাক্তন আমোলাৰ ঘৰত চলোৱা তালাচী অভিযানত উদ্ধাৰ হীৰৰ সুবিশাল ভাণ্ডাৰ, উদ্ধাৰ হ'ল কেইবা কোটি টকা মূল্যৰ সোণৰ আ-অলংকাৰো। এই ঘটনা উত্তৰ প্ৰদেশৰ। প্ৰাক্তন আমোলা মহিন্দৰ সিঙৰ ঘৰত চলোৱা তালাচী অভিযানৰ সময়ত ইডিয়ে উদ্ধাৰ কৰে এই সোণ আৰু হীৰাৰ বিশাল ভাণ্ডাৰ। উল্লেখ্য যে, 'লোটাছ ৩০০ প্ৰজেক্ট' গোচৰত বৃহস্পতিবাৰে দেশৰ বিভিন্ন প্ৰান্তত অনুসন্ধান চলায় ইডিয়ে। দিল্লী, নয়ডা, মিৰাট, চণ্ডীগড়কে ধৰি কেইবাটাও স্থানত চলোৱা অভিযানৰ সময়ত অভিযান চলোৱা হয় উত্তৰ প্ৰদেশৰ প্ৰাক্তন আই এ এছ বিষয়া মহিন্দৰ সিঙৰ বাসগৃহত। এই অভিযানৰ সময়ত প্ৰাক্তন আমোলাজনৰ ঘৰৰ পৰা ইডিয়ে ১২ কোটি টকা মূল্যৰ হীৰাৰ লগতে ৭ কোটি টকা মূল্যৰ সোণ উদ্ধাৰ কৰে। উল্লেখ্য যে, ১৯৭৭ চনৰ আই পি এছ বিষয়া মহিন্দৰ সিং বহুজন সমাজবাদী পাৰ্টিৰ চৰকাৰৰ সময়ত নয়ডা উন্নয়ন প্ৰাধিকৰণৰ চি ই অ' হিচাপে কৰ্তব্যৰত আছিল। ২০১২ চনত তেওঁ অৱসৰ গ্ৰহণ কৰিছিল। ইফালে এইগৰাকী প্ৰাক্তন আই এ এছ বিষয়া ছুপাৰটেক আৰু আমৰাপালি বিল্ডাৰৰ দুৰ্নীতিৰ সৈতেও জড়িত। এই গোচৰৰ ১১ জন অভিযুক্তৰ ভিতৰত মহিন্দৰ অন্যতম। ইডিয়ে বিগত কিছুদিন ধৰি দেশৰ বিভিন্ন প্ৰান্তত অনুসন্ধান অভিযান চলাই আহিছে। সেই অভিযানত তদন্তকাৰী দলটোৱে প্ৰাক্তন বিষয়াজনৰ ঘৰৰ পৰা হীৰা আৰু সোণ উদ্ধাৰ কৰে। অৱশ্যে তদন্তকাৰী সংস্থাটোৱে কোনটো গোচৰত তালাচী অভিযান চলোৱা হৈছিল সেই বিষয়ে কোনো তথ্য প্ৰকাশ কৰা নাই।

# প্ৰচণ্ড তুষাৰপাতত তিনিদিন ধৰি আবদ্ধ ভাৰতীয় সেনা জোৱান, অৱশেষত জীৱন্তে উদ্ধাৰ

**পাটনা, ১৯ ছেপ্টেম্বৰঃ** প্ৰচণ্ড তুষাৰপাতৰ ফলত এটা বৰফৰ গুহাত তিনিদিন অনাহাৰে আবদ্ধ হৈ থাকি অৱশেষত জীৱন্তে উদ্ধাৰ হ'ল ভাৰতীয় সেনা বাহিনীৰ এজন জোৱান। উত্তৰাখণ্ডৰ ভাৰত-চীন সীমান্তত কৰ্তব্যৰত হৈ থকা সময়তে প্ৰচণ্ড তুষাৰপাতৰ ফলত আবদ্ধ হৈ পৰিছিল সেনা জোৱান অনিল ৰাম। তুষাৰপাতৰ সময়ত তেওঁ আন এজন লোকৰ সৈতে এটা গুহাত আশ্ৰয় লয় যদিও বৰফে গুহাৰ প্ৰৱেশ পথ বন্ধ কৰি পেলোৱাত তাতেই তিনিদিন ধৰি অনাহাৰে আবদ্ধ হৈ পৰে দুয়োজন। পিছত সেনা জোৱানজনৰ সন্ধান বিচাৰি ভাৰতীয় সেনাই চলোৱা অভিযানৰ সময়ত দুয়োজনক গুহাৰ পৰা জীৱন্তে উদ্ধাৰ কৰা হয়। বৰ্তমান তেওঁলোকক হাস্পতালত ভৰ্তি কৰোৱা হৈছে। উল্লেখ্য যে, ভাৰত-তিব্বত সীমান্ত আৰক্ষীৰ জোৱান অনিল ৰাম বিহাৰৰ বক্সাৰৰ বাসিন্দা। উত্তৰাখণ্ডৰ ভাৰত-চীন সীমান্তত পহৰা দি থকা সময়তে হঠাৎ তুষাৰপাত আৰম্ভ হোৱাত ইয়াৰ পৰা ৰক্ষা পৰিবলৈ এটা গুহাত আশ্ৰয় লয় অনিল ৰামে। সেই সময়ত তেওঁৰ সৈতে আশ্ৰয় লয় বাহক দেৱেন্দ্ৰ সিঙেও। কিন্তু কিছু সময়ৰ ভিতৰতে বৰফৰ ডাঠ তৰপে গুহাৰ মুখখন বন্ধ কৰি পেলোৱাত ভিতৰতে আবদ্ধ হৈ পৰে দুয়োজন। ইফালে এই ঘটনাৰ এদিন পিছত তেওঁলোকৰ সন্ধান অভিযান আৰম্ভ হয়। উদ্ধাৰকাৰী দলে অশেষ প্ৰচেষ্টাৰে অভিযান চলাই তিনিদিনৰ পিছত অৱশেষত গুহাৰ ভিতৰৰ পৰা জীৱন্তে উদ্ধাৰ কৰে দুয়োজন ব্যক্তিক।






newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)

সম্পাদকঃ বিজি গগৈ (অবৈতনিক)